
অংকুৰ
অসমীয়া বিভাগৰ
হাতেলিখা আলোচনী
২০২৫-২৮ বৰ্ষ
কাপোৰ
পলু
লেতা
কণী
পখিলা
সম্পাদক
লাবণী গগৈ

# অংকুৰ

ডুলীয়াজান মহাবিদ্যালয়ৰ বাৰ্ষিক হাতেলিখা আলোচনী

সপ্তম সংখ্যা ২০২৫ বৰ্ষ


তত্ত্বাৱধায়ক
ড° জ্যোতি গগৈ

সম্পাদক
লাকী গগৈ

# সম্পাদনা সমিতি

উপদেষ্টা মণ্ডলী : ফুলজ্যোতি শইকীয়া
ড° চিত্ৰজিৎ শইকীয়া
ড° তুলসী কোঁৱৰ
ড° লক্ষ্যজিৎ বুঢ়াগোঁহাই

তত্ত্বাৱধায়ক : ড° জ্যোতি গগৈ

সম্পাদক : লাকী গগৈ

সহ-সম্পাদক : অনামিকা সোণোৱাল

অক্ষৰ বিন্যাস : বৰষা বড়া
নীলাক্ষী বৰুৱা

বেটুপাত অংকন : লাকী গগৈ

সদস্য / সদস্যা : জিম্পী গগৈ, উৰ্বৰী গগৈ, চুম্পী গগৈ
নীলাক্ষী বৰুৱা, প্ৰিয়াক্ষী গগৈ,
বনচুমি বৰুৱা, গুলাইনা কোৱৰ,
বৰষা বড়া, পৰী বৰদলৈ, বিৰাজ গগৈ,
তিতিক্ষা সোণোৱাল, নিশিতা গগৈ,
জ্যোতি চেতিয়া, সোনালী কাৰা,
পল্লৱী বড়া, ৰুণিতা ডুৱৰা,
ৰাণীপ্ৰিয়া বৰুৱা, ৰশ্মিৰেখা সোণোৱাল
গায়ত্ৰী শইকীয়া

অংকুৰ আলোচনী কবিতা

# অংকুৰ

অজস্ৰ চিন্তাৰ একত্ৰ প্ৰকাশ
জ্ঞান অন্বেষী অংকুৰ
যাৰ আগ্ৰহত উজাগৰ আজি
উন্মুক্ত প্ৰতিভাবোৰ
সৃজন ইয়াৰ আজন্ম স্বভাৱ
আলোকৰ অগ্ৰদূত,
শত সম্ভাৱনা নিগৰি ওলোৱা
প্ৰেৰণাৰ মহাস্ৰোত
বিপ্লৱ পথৰ বিজয় যাত্ৰাত
ল'ব মুক্ত আগভাগ,
নতুন মনত জগাই তুলিব
সুস্থ সাহিত্যানুৰাগ ।
হ'ব সূত্ৰধাৰ সাহিত্য বনত
জ্বলাব প্ৰজ্ঞাৰ চাকি,
সুপ্ত সম্ভাৱনা কৰিব উদ্ধাৰ
মনত জোনাক আঁকি ।
একোটা অংকুৰ জীৱনৰ উৎস
সৃষ্টিৰ স্নিগ্ধ সুবাস,
উজলি উঠক উৰন্ত মনৰ
এই পঞ্চম প্ৰয়াস ।


-হিৰণ্য কুমাৰ গগৈ
-প্ৰাক্তন ছাত্ৰ
অসমীয়া বিভাগ
ডুলীয়াজান মহাবিদ্যালয়

# অৰ্পণ

দুলীয়াজান মহাবিদ্যালয়, ছাত্ৰ একতা সভাৰ উদ্যোগত ৫০ সংখ্যক বাৰ্ষিক প্ৰতিভা বিকাশৰ সপ্তাহৰ লগত সংগতি ৰাখি অসমীয়া বিভাগে প্ৰস্তুত কৰি উলিওৱা হাতেলিখা আলোচনী 'অংকুৰ'-ৰ অধ্যক্ষ আমাৰ স্বৰ্গীয় পূৰ্ণকান্ত হাজৰিকা দেৱৰ নামত উৎসৰ্গা কৰা হ'ল....

সম্পাদনা সমিতি 'অংকুৰ'
অসমীয়া বিভাগ

# ...কৃতজ্ঞতা...

দুলীয়াজান মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ হাতেলিখা আলোচনী 'অংকুৰ' প্ৰস্তুত কৰোঁতে বিশেষভাৱে সহায় কৰা বিভাগৰ মুৰব্বী অধ্যাপকক প্ৰমুখ্যে কৰি বিভাগৰ সমূহ শিক্ষাগুৰুলৈ শ্ৰদ্ধা নিবেদিলোঁ। লগতে এই আলোচনীখন সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত তত্ত্বাৱধায়কৰ দায়িত্ব পালন কৰা ড° জ্যোতি গগৈ বাইদেউৰ লগতে সমূহ সহযোগীক আন্তৰিক ধন্যবাদ জ্ঞাপন জনাইছোঁ।

সম্পাদনা সমিতি 'অংকুৰ'
অসমীয়া বিভাগ

দুলীয়াজান মহাবিদ্যালয়ৰ অধ্যক্ষ "ড° লোকবিকাশ গগৈ"-দেৱৰ

# শুভেচ্ছা বাণী

দুলীয়াজান মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে 'অংকুৰ' নামেৰে এখন হাতে লিখা আলোচনী প্ৰকাশৰ দিহা কৰিছে বুলি জানিবলৈ পাই অত্যন্ত সন্তোষ লাভ কৰিছোঁ। ছাত্ৰ-ছাত্ৰীসকলৰ এই প্ৰচেষ্টা শলাগ ল'বলগীয়া। এনে বিলাক কৰ্মৰ যোগেদি অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিশীল মন, তেওঁলোকৰ প্ৰতিভা, চিন্তাৰ বিভিন্ন দিশ আদিৰ আভাস পোৱা যায়। 'অংকুৰ' এক সুজলা-সুফলা বৃহৎ বৃক্ষলৈ পৰিৱৰ্তিত হ'ব পৰা সমলেৰে সমৃদ্ধ হওঁক, ইয়াকে কামনা কৰিলোঁ আৰু 'অংকুৰ' প্ৰকাশৰ লগত জড়িত সকলোলৈ আমাৰ শুভকামনা জনালোঁ।

লোকবিকাশগগৈ

অধ্যক্ষ

দুলীয়াজান মহাবিদ্যালয়, দুলীয়াজান

# বিভাগীয় মুৰব্বীৰ শুভেচ্ছা বাণী


'অংকুৰ' দুলীয়াজান মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীল প্ৰতিভাৰ কঠিয়াতলি। 'অংকুৰ' আলোচনীখনে অষ্টম বছৰত ভৰি দিয়া কথাটোৱে ছাত্ৰ-ছাত্ৰীসকলৰ জ্ঞান পিপাসু মনৰেই পৰিচয় বহন কৰে। জ্ঞান অন্বেষণৰ এনে প্ৰয়াসে ভৱিষ্যতেও বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলক অনুপ্ৰাণিত কৰিব বুলি আমি আশাবাদী। ছাত্ৰ-ছাত্ৰীসকলৰ আশা-শুধীয়া প্ৰচেষ্টাত 'অংকুৰ' এখন সৰ্বাংগসুন্দৰ আলোচনী হৈ জিলিকি উঠক। ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি মোৰ আন্তৰিক শুভকামনা জ্ঞাপন কৰিছোঁ।

ফুলজ্যোতি শইকীয়া
22/8/2026
বিভাগীয় মুৰব্বী
অসমীয়া বিভাগ
Head
Department of Assamese
DULIAJAN COLLEGE
Duliajan (Assam)


২০২৬ বৰ্ষৰ অংকুৰ আলোচনীৰ
বিষয়বস্তু উপস্থাপন



# পলুৰ জীৱন চক্ৰ



# পলুৱে পাটখোৱা দৃশ্য




শিপিনীয়ে আপোন ৰচে তাঁতৰ শালত




চোমনিৰ ছবি



পাটৰ সাজত কইনা



# সম্পাদকীয়



সম্পাদকীয়

# অসমৰ ৰেচম শিল্প

"পা কুই উঠিছে মাকক সুধিলে
আই কি আজি মেলাব পায়।
হাঁতে শুকুৰা সুঁতিতে লুকুৰা
সেই আজি মেলাব পায়।"

সভ্যতা, সংস্কৃতি আদিৰে ভৰপূৰ অসমৰ আপুৰুগীয়া সম্পদ বুলি ক'লেই আমাৰ মনলৈ আহে ৰেচম শিল্পৰ বিষয়ে। ৰেচম কেৱল এক কাপোৰ নহয়; ই অসমৰ স্বাভিমান, অসমৰ গৌৰৱ। প্ৰাচীন কালৰে পৰা মানুহে ৰেচম বস্ত্ৰৰ জৰিয়তে বস্ত্ৰৰ প্ৰয়োজনীয়তা পূৰণ কৰি আহিছে। খ্ৰীষ্টপূৰ্ব চতুৰ্থ শতিকাৰ পৰাই পুৰণি কামৰূপ দেশত বোৱা কাৰ্য্য প্ৰচলিত হোৱাৰ ঐতিহাসিক প্ৰমাণ পোৱা যায়। অসমৰ ৰেচম শিল্প বুলিলে মুগা, এৰী আৰু পাটৰ কথাই বুজা যায় যদিও নতুনকৈ উড়ৰ পৰা বিভিন্ন ধৰণে প্ৰচলন হৈ অহা দেখিবলৈ পোৱা গৈছে।

কামৰূপ জিলাৰ অন্তৰ্গত শুৱালকুচি অসমৰ প্ৰধান ৰেচম শিল্পৰ কেন্দ্ৰস্থল যদিও বৰ্তমান অসমৰ আন কিছুমান ঠাইলৈকো এই শিল্পই বিস্তাৰ লাভ কৰিছে। এৰী, পাট আৰু মুগাৰ পৰা নিৰ্মাণ কৰা বস্ত্ৰই ইতিহাসত শ্ৰেষ্ঠত্ব দাবী কৰি আহিছে। বৰ্তমান নতুন নতুন কৌশলেৰে নিৰ্মিত এনে বস্ত্ৰৰ ব্যৱহাৰ আৰু সমাদৰ দিনক দিনে বৃদ্ধি পায় আহিছে। ৰেচম সম্পদৰ স্বাভাৱিক ৰং সোণালী আৰু অন্যান্য গুণমান হোৱাৰ বাবে ইয়াক GI Tag-ৰ স্বীকৃতি প্ৰদান কৰিছিল। এনে এবিধ মূল্যবান সম্পদক সংৰক্ষণ কৰাটো ব্যক্তিৰ সকলৰ এক মূল কৰ্তব্য।

# হাতেলিখা আলোচনী 'অংকুৰ'-ৰ সূচীক্ৰম


প্ৰস্তাৱনা

- বেটুপাত
- সম্পাদনা সমিতি
- 'অংকুৰ' আলোচনীৰ কবিতা
- অৰ্পণ
- কৃতজ্ঞতা
- শুভেচ্ছা বাণী
- ২০২৬ বৰ্ষৰ অংকুৰ আলোচনী বিষয়বস্তু উপস্থাপন
- সম্পাদকীয়

সুমঙালি ঃ শহিদহঁলৈ শ্ৰদ্ধাঞ্জলি ১

- শহীদ পূৰ্ণকান্ত হাজৰীকাৰ মহাপ্ৰয়াণ
  — তিতিক্ষা সোণোৱাল

- আমাৰ অনুভৱত জুবিন গাৰ্গ ২ – ৩
  — জ্যোতি চেতিয়া

অভিনন্দন

- ২০২৫ বৰ্ষৰ সাহিত্য অকাডেমী প্ৰাপক ৪ – ৬
  'দেবব্ৰত দাস' — জিমনী গগৈ

০ মুখাশিল্প আৰু ৰেৱকান্ত মহন্ত ৭-৮
— জিম্পী গগৈ

০ জন্ম শতবাৰ্ষিকী বিশেষ ৯
ড° ভূপেন হাজৰিকা
— ভৈৰৱী গগৈ

## প্ৰবন্ধ মঞ্জুৰী

০ অসমৰ গৌৰৱ ৰেচম শিল্প ১০-১২
— গুলাইনা কোঁৱৰ

০ অসমৰ উৎসৱ-পাৰ্বণত ৰেচমৰ ভূমিকা ১৩
— চুম্পী গগৈ

০ পলু পোহাৰ পদ্ধতি ১৪-১৬
— অংকীতা শইকীয়া

## গল্প

০ সোণৰ নাও ১৭-২৪
— নীলাক্ষী বৰুৱা

## কাব্য

০ শ্ৰদ্ধাঞ্জলি ২৫-২৭
— বিৰাজ গগৈ

০ পথাৰ
— লাকী গগৈ ২৮-৩০

○ নিস্তব্ধতাৰ গান ৩১
— নৱনীতা গগৈ

○ মৰুভূমিত মুকুতাৰ সন্ধানত ৩২-৩৩
— অংকিতা শইকীয়া

○ শৰতৰ পূৰ্ণিমা ৩৪
— অংকিতা শইকীয়া

গ্ৰন্থ সমালোচনা

○ মোৰো এটা সপোন আছে ৩৬-৪০
— বৰষা বড়া

চলচিত্ৰ সমালোচনা ৪১-৪৫

○ টুৱেলভ ফেইল
— নীলাক্ষী বৰুৱা

প্ৰাসংগিক গদ্যশিল্প ৪৬-৪৯

○ চোমিষ্টি কলাত্মক চেতনা সংস্কৃতি
— বাণীপ্ৰিয়া বৰুৱা

কাৰ্টুন ৫০-৫১

নীলাসাগৰ চিঠি ৫২-৫৫

অনুভৱৰ সংকলন ৫৬-৫৮



# শ্রদ্ধাঞ্জলি

## স্মৃতিসন্ধি : মহীৰুহলৈ শ্ৰদ্ধাঞ্জলি

# মহীৰুহ পূৰ্ণকান্ত হাজৰীকাৰ মহাপ্ৰয়াণ

২০২৩ চনৰ ১৩ ডিচেম্বৰ দিনটো এক চিৰস্মৰণীয় দিন। এই দিনটোতে ডুলীয়াজান মহাবিদ্যালয় প্ৰতিষ্ঠাপক অধ্যক্ষ পূৰ্ণকান্ত হাজৰিকা বৈকুণ্ঠ প্ৰয়াণ ঘটে। পূৰ্ণকান্ত হাজৰীকা আৰু কেইজনমান নেতৃত্ব স্থানীয় ব্যক্তিৰ চিন্তা-চৰ্চাৰ ফলত ১৯৬৯ চনৰ ১ আগষ্টত ডুলীয়াজান মহাবিদ্যালয়ৰ শুভাৰম্ভ কৰা হয়। তেখেতক বিশিষ্ট শিক্ষাবিদ হিচাপে আখ্যা দিয়া হয়। তেওঁক আধুনিক ডুলীয়াজানৰ ৰূপকাৰ আৰু উচ্চ শিক্ষাৰ বাট-কটীয়া বুলি গণ্য কৰা হয়। শিক্ষা জগতত তেখেতৰ অৱদান, নিষ্ঠা আৰু দূৰদৰ্শী চিন্তাধাৰাই ডুলীয়াজান মহাবিদ্যালয়ক এক শক্তিশালী শিক্ষানুষ্ঠান হিচাপে গঢ়ি তুলিবলৈ বিশেষ ভূমিকা পালন কৰিছিল। অসংখ্য ছাত্ৰ-ছাত্ৰীৰ জীৱন গঢ়াত তেখেতৰ অৱদান চিৰস্মৰণীয় হৈ থাকিব। শিক্ষা জগতৰ লগতে তেখেতে উন্নতিৰ হকেও নিজৰ অৱদান আগবঢ়াই থৈ গৈছে।

ডুলীয়াজান মহাবিদ্যালয়ৰ ৫০ সংখ্যক বাৰ্ষিক প্ৰতিভা বিকাশ সপ্তাহৰ অসমীয়া বিভাগৰ হাতেলিখা আলোচনী 'অংকুৰ'ৰ জৰিয়তে তেখেতলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।

তিতিক্ষা সোণোৱাল
ষষ্ঠ ষাণ্মাসিক

## মুখসন্ধি : মহীৰুহলৈ শ্ৰদ্ধাঞ্জলি

# আমাৰ অনুভৱত 'জুবিন গাৰ্গ'

"মৃত্যু এতিয়া সহজ"

এটা সোণালী যুগৰ সমাপ্তি ঘটিল। অসমৰ সংগীত আকাশৰ এটি জেউতা তৰা যেন হঠাতে খহি পৰিল। অসমৰ আপুৰুগীয়া সম্পদ, অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গ আৰু নাই।

জুবিন গাৰ্গ এজন ব্যক্তিয়েই নহয়, তেওঁ আধুনিক অসমীয়া সমাজ আৰু সংস্কৃতিৰ এজন মহীৰুহ প্ৰতিভাৰ এক অনন্য ভঁৰাল। তেওঁ কেৱল এজন শিল্পীয়েই নহয়, তেওঁ হ'ল এক আবেগ, তেওঁ অসমৰ যুৱ প্ৰজন্মৰ বাবে এক বিপ্লৱ, এটা পৰিচয় আৰু এক অনুপ্ৰেৰণা। তেখেতে গীতত প্ৰেম, বিৰহ, প্ৰতিবাদ, জাতীয় চেতনা আদিৰ প্ৰত্যেকটো সুৰতেই ঢালি থৈ গৈছে অন্তৰৰ স্পন্দন। অসমৰ প্ৰত্যেকজন মানুহৰ শিৰে শিৰে বিয়পি আছে জুবিন গাৰ্গ। নিমখৰ অবিহনে যেনেকৈ আঞ্জা অসম্পূৰ্ণ, ঠিক তেনেদৰে জুবিনৰ অবিহনে অসম স্তব্ধ। তেখেতৰ যি সুমধুৰ সংগীতৰ সৃষ্টি, এই সৃষ্টিৰাজিয়ে কেৱল মনোৰঞ্জন দিয়াই নহয়, তেওঁৰ সমান্তৰালভাৱে মাতৃভূমিক সজাগ কৰি গৈছে। ডেকা গাভৰুৰ হৃদয়ত সিঁচি গৈছে অপাৰ শক্তি, সাহস আৰু আত্মবিশ্বাস বহু সময়ত তেওঁ শিল্পীৰ সীমা অতিক্ৰম কৰিও সাধাৰণ মানুহৰ লগ হৈ সত্যৰ পক্ষত থাকি ৰজাৰ সৈতেও যুঁজ দি সমাজৰ কণ্ঠস্বৰ হিচাপে আত্মপ্ৰকাশ কৰিছে।

সকলোৰে মৰমৰ ঈশ্বৰ পুত্ৰ, অসমৰ হাৰ্টথ্ৰব জুবিন গাৰ্গ ২০২৫ চনৰ ১৯ ছেপ্তেম্বৰত ছিংগাপুৰত এটা দুৰ্ভাগ্যজনক ঘটনাত আকস্মিক বিয়োগ ঘটে।

প্ৰাণৰ শিল্পী গৰাকীৰ বিয়োগত আজি মৰ্মাহত হৈছে অসমীয়া। আমাৰ হাতেলিখা আলোচনী 'অংকুৰ'ৰ জৰিয়তে আমি আমাৰ হিয়াৰ আমঠু, প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।

আন্ধাৰিনী ৰাতিৰ বুকুত
দেখা পালোঁ তোমাৰ ছবি
ধৰা দিলা গোপনে আহি
হিয়াৰ কোণত
তুমি যে মোৰ শুকান মনত
নিয়ৰৰে চেঁও টোপাল
নামি আহা বঁদৰে নি
মোৰ দেহত প্ৰাতি পুৰা
ধুমুহাৰ সঁতে মোৰ
বহু যুগৰে নাচোন
এন্ধাৰো অগাঁ মোৰ
বহু দিনৰে আপোন
নিজানৰ গান মোৰ
শেষ হব
থাকো তোমাৰ বুকুত

জ্যোতি চেতিয়া
ষষ্ঠ ষাণ্মাসিক

# অভিনন্দন

# ২০২৫ বৰ্ষৰ সাহিত্য অকাডেমী প্ৰাপক

# 'দেৱব্ৰত দাস'

২০২৫ বৰ্ষত 'কড়ি খেলৰ সাধু' উপন্যাসখনৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰা দেৱব্ৰত দাসে অসমীয়া সাহিত্য জগতলৈ এক উল্লেখযোগ্য অৱদান আগবঢ়াইছে। অসমৰ গুৱাহাটীৰ পৰা প্ৰকাশিত সাপ্তাহিক সাদিন বাতৰি কাকতত 'হিয়াৰ দাখিলাবোৰ' শীৰ্ষক স্তম্ভ লিখি তেখেতে জনপ্ৰিয়তা অৰ্জন কৰিছিল। সাহিত্য অকাডেমি বঁটাৰ উপৰিও 'টেগৰ লিটাৰেচাৰ এৱাৰ্ড' আৰু 'সাহিত্যজ্যোতি বঁটা' লাভ কৰা দেৱব্ৰত দাস হৈছে ৰামধেনু যুগৰ পৰৱৰ্তী কালৰ এগৰাকী অসমীয়া গল্পকাৰ, ঔপন্যাসিক আৰু স্তম্ভ লেখক।

১৯৫০ চনৰ ৩ জানুৱাৰী তাৰিখে গুৱাহাটীত তেখেতৰ জন্ম হৈছিল। ১৯৮১ চনত প্ৰকাশিত 'অৰ্পিতাৰ এৰাতি' হৈছে তেখেতৰ প্ৰথম গল্প সংকলন। ইয়াৰ উপৰিও তেখেতে আন ৰচনাৰাজি সমূহৰ দ্বাৰা অসমীয়া সাহিত্য জগতখন সমৃদ্ধ কৰিছে। ২০২৫ চনত দাসৰ এটি নিৰ্বাচিত গল্প সংকলন 'ৱান মৰ ষ্টৰি এবাউট ক্লাইম্বিং আ হিল' (One more Story About Climbing A Hill) নামেৰে নামাকৰণ কৰি ভাৰতীয় প্ৰকাশন গোষ্ঠী স্পিকিং টাইগাৰে প্ৰকাশ কৰিছে। তেখে-

-তৰ আন এখন উল্লেখযোগ্য উপন্যাস 'বৃসৰতাৰ কাব্য' উপন্যাসখনক সমালোচকসকলে অসমীয়া ভাষাৰ প্ৰথম উত্তৰ আধুনিক উপন্যাস আখ্যা দিছে। তেখেতে শিক্ষাসূত্ৰে এগৰাকী অভিযন্তা আৰু কৰ্মসূত্ৰে ভাৰতীয় ষ্টেট বেংকৰ এগৰাকী বিষয়া আছিল। তেখেতৰ জীৱনৰ দাম্পত্যসংগী আছিল নিজৰা দাস।

দেৱব্ৰত দাস অসমৰ এজন প্ৰতিভাৱান সাহিত্যিক, গৱেষক আৰু শিক্ষাবিদ হিচাপে পৰিচিত। তেখেতে বিশেষকৈ সমালোচনা, প্ৰবন্ধ আৰু গৱেষণামূলক ৰচনাৰ ক্ষেত্ৰত নিজস্ব স্থান দখল কৰিবলৈ সক্ষম হৈছে। তেওঁৰ লিখনিসমূহৰ বৈশিষ্ট্য হৈছে সহজ আৰু স্পষ্ট ভাষাত জটিল বিষয়সমূহ ব্যাখ্যা কৰা। সমাজ, সংস্কৃতি, ইতিহাস আৰু সাহিত্যৰ গভীৰ বিশ্লেষণ তেখেতৰ লিখনিসমূহত দেখা যায়। শিক্ষক হিচাপে দেৱব্ৰত দাসে বহু ছাত্ৰ-ছাত্ৰীক প্ৰেৰণাৰ উৎস হিচাপে আগুৱাই নিয়াৰ লগতে সাহিত্যৰ প্ৰতি আগ্ৰহী কৰি তুলিছে। তেখেতে অসমীয়া ভাষা সাহিত্যৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। নৱমমান শ্ৰেণীৰ পঢ়ি থকাৰ পৰা তেওঁ লেখা মেলা আৰম্ভ কৰিছিল। তেখেতৰ কিতাপৰ প্ৰতি অগাধ প্ৰেমৰ প্ৰথম প্ৰতীক হৈছে প্ৰেমনাৰায়ণ দত্তৰ পাকু চিৰিজ। তেওঁক অসমীয়া সাহিত্যৰ উত্তৰ আধুনিকতাবাদী ধাৰাৰ এজন প্ৰবীণ কথাশিল্পী হিচাপে গণ্য কৰা হয়। তেওঁৰ লেখাত সমাজৰ বাস্তৱ চিত্ৰ আৰু গভীৰ আবেদনৰ ভাব স্ফূৰ্তি উঠে। চাৰি দশকতো অধিক সময় ধৰি সাহিত্য চৰ্চা কৰা দাসৰ এতিয়ালৈকে ২৫ খনতকৈও অধিক গ্ৰন্থ প্ৰকাশ পাইছে, যাৰ ভিতৰত চুটিগল্প, উপন্যাস, প্ৰবন্ধ সমালোচনা আৰু চিত্ৰনাট্য অন্তৰ্ভুক্ত।

-জিম্মি গগৈ

# মুখা শিল্প
# আৰু
# ৰেৰকান্ত মহন্ত

ৰেৰকান্ত মহন্ত দেৱে অসমৰ মুখা শিল্প জগতলৈ এক অনবদ্য অৱদান আগবঢ়াইছে। তেখেতে ২০১৫ বৰ্ষত অসমৰ মুখা শিল্প জগতলৈ আগবঢ়োৱা অৱদানৰ স্বীকৃতি স্বৰূপে 'পদ্মশ্ৰী' বঁটা লাভ কৰে। পদ্মশ্ৰী সন্মান লাভ কৰাৰ পূৰ্বেও ২০০৮ চনত তেওঁ ভাৰত চৰকাৰৰ দ্বাৰা 'শিল্পগুৰু' বঁটা লাভ কৰিছিল। তেখেত এগৰাকী ভাৰতীয় অংকীয়া নাট আৰু মুখা শিল্প (ৰাজ্যিক লগতে আন্তৰ্ৰাষ্ট্ৰীয় পৰ্যায়ৰ)। মুখাশিল্পৰ লগতে সত্ৰীয়া সংস্কৃতিৰ প্ৰতি জীৱন যোৱা সাধনাৰ স্বীকৃতি স্বৰূপে তেওঁক ২০১৫ চনত 'সংগীত নাটক' একাডেমী বঁটাৰে সন্মানিত কৰা হৈছিল। ২০১৯ চনত অসম চৰকাৰে তেওঁক বিষ্ণু ৰাভা বঁটা প্ৰদান কৰে।

মুখাশিল্পী ৰেৰকান্ত মহন্ত দেৱৰ ১৯৩৩ চনৰ ১৯ এপ্ৰিল (৫ বহাগ) তাৰিখে অসমৰ শিৱসাগৰ জিলাৰ মাটিপাৰ সত্ৰত জন্ম হৈছিল। তেখেতৰ পিতৃ চতুৰ্দশজনা সত্ৰাধিকাৰ গোপীকান্তদেৱ আৰু মাতৃ সুন্দৰী মহন্ত আছিল। তেখেতে শৈশৱতেই পিতৃৰ দ্বাৰা আনুষ্ঠানিক শিক্ষাৰ বাহিৰেও সমাজ-সংস্কৃতি, সাহিত্য, মুখাশিল্পৰ ব্যৱহাৰিক শিক্ষা লাভ কৰিছিল।

ৰেৰকান্ত মহন্তই সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰালয় অসম সত্ৰ মহাসভা আৰু শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত মুখা নিৰ্মাণ কৰ্মশালা আৰু প্ৰদৰ্শনত অংশগ্ৰহণ কৰিছে। ইয়াৰ লগতে তেওঁ কলকাতাৰ ভাৰতীয় সংগ্ৰহালয়, ৱাশ্বিংটন

ডি.চি.ৰ ৰাষ্ট্ৰীয় প্ৰাকৃতিক ইতিহাস সংগ্ৰহালয় আৰু নতুন দিল্লীৰ ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলা কেন্দ্ৰৰ দৰে সন্মানীয় সংগ্ৰহালয়ৰ দ্বাৰা প্ৰদৰ্শনৰ বাবে তেওঁৰ মুখা অধিগ্ৰহণ কৰা হৈছে। ২০০৩ চনৰ ভাৰতৰ গণৰাজ্য দিৱস পেৰেডত তেওঁৰ মুখাৰে অসম ৰাজ্যক প্ৰতিনিধিত্ব কৰিছিল। সেই বছৰ প্ৰতীক-পটৰ মুখ্য বিষয় অসমৰ মুখা নিৰ্মাণ পৰম্পৰাৰ ওপৰত আধাৰিত আছিল।

এজন দক্ষ মুখাশিল্পী হিচাপেও তেওঁ ইতিমধ্যে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত খ্যাতি লাভ কৰিবলৈ সক্ষম হৈছিল। তেওঁ কলকাতা, নতুন দিল্লী, ত্ৰিবান্দ্ৰম আদি বিভিন্ন স্থানত অনুষ্ঠিত মুখা শিল্পৰ কৰ্মশালা আৰু প্ৰদৰ্শনীত মুখ্য প্ৰশিক্ষক আৰু সম্বল ব্যক্তিৰূপেও অংশগ্ৰহণ কৰিছে। তেওঁ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সংগ্ৰহালয়ত প্ৰদৰ্শনৰ বাবে ৭০ খন মুখা দান কৰাৰ উপৰি শিল্পী মহন্তই নিৰ্মাণ কৰা এখন নৰসিংহৰ মুখা তেজপুৰ বিশ্ববিদ্যালয়ত ৭০ খন মুখা ইণ্ডিয়ান মিউজিয়াম অৱ কলকাতাত পাঁচখন মুখা নতুন দিল্লীৰ ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় সংগ্ৰহালয়ত সাতখন মুখা আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৱাশ্বিংটন নেশ্যনেল মিউজিয়ামত, দুখন মুখা অষ্ট্ৰেলিয়াৰ সংগ্ৰহালয়ত প্ৰদৰ্শনৰ বাবে ৰখা হৈছে।

তেওঁ অসমৰ বিভিন্ন স্থানৰ লগতে কলকাতা, দিল্লী, বৃন্দাবন আদি ঠাইত বৰগীত, সত্ৰীয়া নৃত্য আৰু ভাওনা প্ৰদৰ্শন কৰি আহিছে।

জিম্পী গগৈ
চতুৰ্থ ষাণ্মাসিক

# জন্ম শতবাৰ্ষিকী বিশেষ


# ড° ভূপেন হাজৰিকা

অসমৰ মাটিৰ সুগন্ধি বহন কৰা অসমৰ তথা ভাৰতৰ সংগীত জগতৰ মহান শিল্পী ড° ভূপেন হাজৰিকা আছিল সংগীতৰ জৰিয়তে মানৱতা বাণী কঢ়িয়াই নিয়া এজন যুগদ্ৰষ্টা শিল্পী তেওঁৰ কণ্ঠত ধ্বনিত হৈছিল সমাজৰ বেদনাৰ সুৰ, মানুহৰ আশা- আকাংক্ষা আৰু সংহতিৰ আহ্বান। তেওঁৰ জন্ম শত-বাৰ্ষিকী বৰ্ষটো তেওঁৰ সৃষ্টি আৰু কৰ্মৰাজি আমাৰ বাবে এক অমূল্য ঐতিহ্য হিচাপে প্ৰতীয়মান হৈ আছে। "মানুহে মানুহৰ বাবে" বাণীৰে তেওঁ সমাজত ভ্ৰাতৃত্ববোধ আৰু সহমৰ্মিতাৰ বীজ ৰোপন কৰিছিল। তেওঁৰ গীত, কবিতা আৰু চিন্তাধাৰা আজিও আমাৰ মাজত জিলিকি আছে। এই মহান শিল্পীজনৰ জন্ম শতবাৰ্ষিকী বৰ্ষত আমি তেওঁক হৃদয়ৰ পৰা উপলব্ধি কৰি তেওঁৰ আদৰ্শক হৃদয়ৰ ধাৰণ কৰি প্ৰকৃতাৰ্থত এমন মানৱীয় আৰু সু-সংস্কৃত সমাজ গঢ়াৰ সংকল্প লোৱাৰ সময় আহি পাৰিছে। তেওঁৰ সৃষ্টি আৰু কৰ্মৰাজি আমাৰ মাজত সদায় পথপ্ৰদৰ্শক হৈ থাকক।

— ভৈৰৱী গগৈ

চতুৰ্থ ষাণ্মাসিক

# প্রবন্ধ মঞ্জুষা



# অসমৰ গৌৰৱ ৰেচমশিল্প

মানুহৰ ভাৱৰ সৃষ্টিশীল অভিব্যক্তিয়েই হ'ল শিল্প। শিল্পসমূহৰ ভিতৰত লোকশিল্প অতি প্ৰাচীন। লোকশিল্পসমূহৰ ভিতৰত ৰেচমশিল্প বিশেষভাৱে উল্লেখযোগ্য। অসমৰ গৌৰৱ, বিশ্ববিখ্যাত মুগা শিল্প কেৱল এক পৰম্পৰাগত বস্ত্ৰ শিল্পেই নহয়, ই অসমৰ অৰ্থনীতি আৰু সংস্কৃতিত গভীৰভাৱে শিপাই থকা এক সোণোৱালী ঐতিহ্য। অসমৰ অতি প্ৰাচীন শিল্প অবিধ হৈ মুগা। অসমত যোৱা তিনিদশক মানৰ আগলৈকে ব্যাপকভাৱে মুগাশিল্প চৰ্চা কৰি থকা পৰিলক্ষিত হৈছিল যদিও বৰ্তমান সময় ইয়াৰ চৰ্চা কমি অহা দেখা গৈছে। অসমত পোৱা প্ৰতিবিধ পলুৱে নিৰ্বাচিত বৃক্ষৰ পাত খাই পৈণত হৈ মুখৰ লেলাউটিৰে বাহ সাজে। তেনে বাহৰ পৰা মানুহে নিৰ্দিষ্ট কৌশল প্ৰয়োগ কৰি মুগাসূতা প্ৰস্তুত কৰি সেই সূতাৰে যি উলিওৱা কাপোৰক কোৱা হয় মুগা কাপোৰ। মুগাশিল্পৰ লগত লোক বিশ্বাস, লোকাচাৰ আৰু লোক অভ্যাস জড়িত হৈ আছে। এই মুগা উৎপাদন অসমৰ উপৰিও মেঘালয়ৰ গাৰো পাহাৰত বাস কৰা লোকসকলেও কৰে।

অসমত প্ৰাচীন কালৰ পৰাই তিনি প্ৰকাৰৰ কোষজ বা ৰেচম বস্ত্ৰ নিৰ্মাণ আৰু ব্যৱহাৰৰ কথা উল্লেখ কৰি হৈছে। এৰী, পাট আৰু মুগাৰ পৰা নিৰ্মাণ কৰা বস্ত্ৰই ইতিহাসত শ্ৰেষ্ঠত্ব দাবী কৰি আহিছে। বৰ্তমান নতুন নতুন কৌশলেৰে নিৰ্মিত এনে বস্ত্ৰৰ ব্যৱহাৰ আৰু সমাদৰ দিনক দিনে বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে।

অসম চৰকাৰৰ সংগ্ৰহালয় সঞ্চালকালয়ৰ পৃষ্ঠপোষকতাত আৰু ৰাজ্যিক সংগ্ৰহালয় গুৱাহাটীত অসমৰ সোণালী সূতা চকুৰামানাৰ গৌৰৱৰ বিষয়ে প্ৰদৰ্শনী অনুষ্ঠিত কৰা হৈছিল। অসমৰ ঐতিহ্যমণ্ডিত মুগা ৰেচম বা মুগা শিল্পই ২০০৭ চনত ভৌগোলিক স্বীকৃতি বা GI Tag

(Geographical Indication) লাভ কৰিছিল। ৰেচম অসমৰ স্বাভাৱিক ৰং সোণালী আৰু অন্যান্য গুণমানৰ বাবে ইয়াক এই স্বীকৃতি প্ৰদান কৰা হৈছিল। এই GI Tag ৰ জৰিয়তে মুগা সূতা আৰু ইয়াৰ পৰা তৈয়াৰী পোচাকৰ গুণগত মান আৰু প্ৰতিলিপিৰ বিষয়ে নিশ্চিতভাৱে পোৱা যায়। এনে এবিধ মূল্যবান সম্পদক ভৱিষ্যতৰ বাবে সংৰক্ষণ কৰি ৰখাটো প্ৰত্যেক গৰাকী ব্যক্তিৰে মূল দায়িত্ব। বৰ্তমান নতুন নতুন কৌশলেৰে নিৰ্মিত এনে-বস্তুৰ ব্যৱহাৰ আৰু সমাদৰ দিনক দিনে বৃদ্ধি পাই আহিছে।

গুলাহিনা কোঁৱৰ
ষষ্ঠ ষাণ্মাসিক

# অসমৰ উৎসৱ পাৰ্বণত ৰেচমৰ ভূমিকা

অসমীয়া সমাজ জীৱনত আৰু সংস্কৃতিৰ এটা অবিচ্ছেদ্য অংগ হৈছে ৰেচম বা পাট-মুগা শিল্প। অসমৰ সংস্কৃতি, ঐতিহ্য আৰু আত্মমৰ্যাদাৰ ই হৈছে এক জীৱন্ত প্ৰতীক। বিশেষকৈ অসমৰ বাৰেৰহণীয়া উৎসৱ-পাৰ্বণ আৰু মাংগলিক অনুষ্ঠানসমূহ ৰেচমৰ ব্যৱহাৰৰ অবিহনে আধৰুৱা। অসমক ভাৰতৰ "ৰেচমৰ দেশ" বুলিও কোৱা হয়, কাৰণ ইয়াত উৎপাদিত মুগা, পাট আৰু এৰী ৰেচম বিশ্বৰ বিখ্যাত। অসমৰ উৎসৱ-পাৰ্বণতো ৰেচমৰ স্থান অন্যতম। বহাগ বিহু, মাঘ বিহু, কাতি বিহু, বিয়া-বাৰু, নাম-প্ৰসংগ আদি সকলো অনুষ্ঠানতে ৰেচমী বস্ত্ৰই মানুহৰ শোভা আৰু গৌৰৱ বৃদ্ধি কৰে।

অসমত প্ৰধানকৈ তিনি প্ৰকাৰৰ ৰেচম পোৱা যায়, মুগা, পাট আৰু এৰী পোৱা যায়। এই ৰেচম তিনিবিধক দীপ্তি বিশ্বপ্ৰসিদ্ধ বুলি জনা যায়। বিহুৰ সময়ছোৱাত অসমৰ গাঁৱৰ পৰা চহৰলৈকে সকলো ঠাইতেই ৰঙী ৰেচমীৰ মেখেলা-চাদৰ, গামোচা আৰু চেলেং চাদৰেৰে মানুহে জিলিকাই ৰাখে। ৰেচমে তিনিওটা বিহুৰ সময়ত হোৱা উৎসৱৰ সৌন্দৰ্য আৰু গাম্ভীৰ্য বৃদ্ধি কৰে। বিয়াৰ অনুষ্ঠান কইনা দৰাকীয়েপৰিধান কৰা মুগা বা পাটৰ পৰা আৰম্ভ কৰি ধৰ্মীয় অনুষ্ঠান, নাম-প্ৰসংগ বা পূজা-পাতটো ৰেচমৰ ব্যৱহাৰ অধিক দেখা যায়। এইদৰে ৰেচমে দেহ আৱৰণ কৰাৰ লগতে আধ্যাত্মিক অনুভৱকো গভীৰ কৰি তোলে।

অসমৰ বহু গাঁওত ৰেচম পালন আৰু বয়ন হৈছে এক প্ৰধান জীৱিকা। মহিলা সকলে তাঁতত মেখেলা-চাদৰ বোৱা প্ৰথাই সমাজত স্বনিৰ্ভৰতা আৰু সৃষ্টিশীলতাৰ এক সুন্দৰ নিদৰ্শন দেখুৱাইছে।

অসমৰ উৎসৱ-পাৰ্বণত ৰেচম কেৱল শোভা বা আভৰণ নহয়; ই অসমৰ সংস্কৃতিৰ, ঐতিহ্যৰ, অৰ্থনীতি আৰু আত্মপৰিচয়ৰ অবিচ্ছেদ্য অংগ। ৰেচমী বস্ত্ৰৰ মাজেৰে অসমৰ জনজীৱনৰ আনন্দ, বিশ্বাস আৰু ঐতিহ্য প্ৰকাশ পাইছে। এই ঐতিহ্য সংৰক্ষণ কৰি ভৱিষ্যত প্ৰজন্মলৈ আগবঢ়াই নিয়াটো আমাৰ সকলোৰে প্ৰধান কৰ্তব্য।

টুম্পী গগৈ
ষষ্ঠ ষাণ্মাসিক

# পলু পোহাৰ পদ্ধতি

অতীজৰেই পৰা অসমত বয়ন আৰু ৰেচম শিল্পই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। যি বোৰে বৰ্তমান সময়তো অসমৰ ঐতিহ্য গৌৰৱময় কৰি ৰাখিছে। খ্ৰীষ্টপূৰ্ব চতুৰ্থ শতিকাৰ পৰাই পুৰণি কামৰূপত ৰেচম পলু পোহা, সূতা কটা আৰু কাপোৰ বোৱা কাৰ্য প্ৰচলিত থকাৰ ঐতিহাসিক প্ৰমাণ পোৱা যায়। অসমৰ ৰেচম শিল্প বুলিলে মুগা, এৰী আৰু পাটৰ কথাই বুজা যায়। মুগাৰ পৰা মেখেলা, চাদৰ আৰু বিয়াৰ উপৰিও কিংখাপ নামৰ এবিধ বিশেষ ধৰণৰ জকমকীয়া কাপোৰ তৈয়াৰ কৰা হৈছিল। সেয়েহে মুগাক "বস্ত্ৰৰ ৰাণী" বুলি কোৱা হয়। মুগাৰ সূতা তৈয়াৰ কৰা পতংগবিধৰ নাম হ'ল (Antheraea assama) ৰেচম শিল্পত সূতা উৎপাদনৰ কেঁচা মাল হ'ল এই বিশেষ পতংগ বা সমবিধে প্ৰস্তুত কৰা লোলা। কণী, পলু, লেটা আৰু মথ — এই চাৰিটা স্তৰৰ মাজেদি মুগাৰ জীৱন চক্ৰটো সম্পূৰ্ণ হয়। মুগা পলুৱে প্ৰধানকৈ চোম আৰু সোৱালু গছৰ পাত খায়। সাধাৰণতে উজনি অসমত চোম আৰু নামনি অসমত সোৱালু গছত মুগা পোহা হয়। ইয়াৰ বাহিৰেও দীঘলতি, মেজাংকৰি, ভোমলতি, চপা, আদাকৰি আদি বৃক্ষতো মুগা পালন কৰিব পাৰি। মেজাংকৰি পাতত পালন কৰা মুগা অতি সুন্দৰ উজ্জ্বল সোণোৱালী ৰঙৰ হয়।

মুগা মথ বৰ্ষবহুপ্ৰজী অৰ্থাৎ ইহঁতে বছৰেকত কেইবাৰো কণী পাৰে। মুগা মথে কণী পৰাৰ ৮-১২ দিনৰ ভিতৰত কণী ফুটি পোৱালি ওলায়। ৰাতিপুৱা কণী ফুটাৰ লগে লগে পলুবিলাক সাধাৰণতে চোম গছত লগাই দিয়া

হয়। পলুবিলাক গছৰ পাতলৈ নিজেই নিজেই গৈ পাত খাবলৈ আৰম্ভ কৰে। পলু দিয়াৰ আগতে গুৰিকে ধৰি গছজোপা চাফা কৰি লোৱা হয়। গছৰ পাত খাই শেষ হ'লে পলুবিলাক তললৈ নামি আহে। তেতিয়া তিনিকোণীয়া বাঁহৰ চালনীৰ সহায়ত পলুবিলাক পুনৰ গছত উঠাই দিয়া হয়। নতুবা গছত পাত নাথাকিলে অন্য গছত দিয়া হয়। পলু অৱস্থাত প্ৰায় ২৮–৩৫ দিন মান সময় থাকে। এই অৱস্থাত ইহঁতে চাৰিবাৰ মোট সলায়। পলুবিলাকৰ পাত খোৱা কাৰ্য শেষ হ'লে পলু পকা বুলি কোৱা হয়। এইখিনি সময়ত পকা পলুবিলাক গছৰ তললৈ নামি আহে আৰু সেই সময়ত পলুবিলাকক ধৰি শুকান আম পাতৰ জালিত দি ৰখা হয়। তাতে পিতত পলুৱে লেটা গঠন কৰে। সেইবোৰকে পিছত সূতা কটাৰ বাবে ব্যৱহাৰ কৰা হয়।

সেই সময়ত অসমৰ উপৰিও পলু উৎপাদন মেঘালয়ৰ গাৰো পাহাৰতো কৰা হৈছিল। পলু পালনৰ বাবে পৰিষ্কাৰ চাই-বাচনি কৰিব লাগে। পলু পালন আৰম্ভ কৰাৰ আগতেই ঘৰ-সন আৰু ঘৰৰ চৌহদ সমূহ ভালদৰে পৰিষ্কাৰ কৰি কীটনাশক দ্ৰব্য ব্যৱহাৰ কৰিব লাগে। উত্তম বীজহে ব্যৱহাৰ কৰিব লাগে। যাৰ ফলত অধিক পলু উৎপাদন হয়। পলুসমূহৰ জাত অনুসৰি সৰু পলুক কোমল আৰু সতেজ পাত দিব লাগে। নিয়মিত ভাৱে পলু সমূহ যত্ন ল'ব লাগে আৰু মল-মূত্ৰসমূহ, শুকান পাত আৰু আবৰ্জনা আঁতৰাই পলুসমূহ সুৰক্ষা কৰাৰ লগতেই ইন্দুৰ, পিঁপৰা, টিকটিকি চৰাই আদিৰ শত্ৰুসমূহৰ পৰাও সুৰক্ষা দিব লাগে। পলু পালন অসমৰ সংস্কৃতি আৰু অৰ্থনীতিৰ এক মূল্যবান অংশ। কম মূলধনত আৰম্ভ কৰিব পৰা এই উদ্যোগে বহু লোকক কৰ্মসংস্থান দিয়ে। বিজ্ঞানসন্মত পদ্ধতিত পলু পালন কৰিলে অধিক উৎপাদন আৰু অধিক লাভ কৰিব পাৰি। সেয়েহে পলু পালন গ্ৰাম্য অৰ্থনীতি উন্নয়নৰ এক শক্তিশালী মাধ্যম।

ৰেচম শিল্পৰ ভিতৰত এৰীক আটাইতকৈ পুৰণি শিল্প বুলি জনা যায়। অসমৰ পাহাৰ-ভৈয়ামৰ পুৰণি কালৰেই পৰাই এৰী পলু পালন কৰি সূতা কাটি তাৰে পৰা আটকধুনীয়া এৰী চাদৰ বৈ লোৱা পৰম্পৰাও আগৰেই পৰা চলি আহিছে।

এৰী পোহা অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ এক অতি প্ৰাচীন আৰু লাভজনক গৃহ-উদ্যোগ। এৰী পোহা মানে এৰী পলু পালন কৰি তাৰ পৰা সূতা উৎপাদন কৰা কাৰ্য্য। এৰী পলুৰ পৰা উৎপন্ন হোৱা সূতাই "এৰী মুগা" বা "এৰী ৰেচম" নামেৰে জনাজাত। এই সূতা কোমল, উষ্ণ হোৱাৰ বাবে বস্ত্ৰ উদ্যোগত বহুলভাৱে ব্যৱহাৰ কৰা হয়। অসমৰ বহু পৰিয়ালৰ জীৱিকাৰ উৎস হৈছে এৰী পোহা।

এৰী পলুসমূহৰ মুখ্য খাদ্য হৈছে এৰা গছ, কেচেৰু আদি উদ্ভিদৰ পাত। ভাল পলু ব্যৱহাৰ কৰাৰ ফলত উৎপাদনো ভাল হয়। নতুনকৈ ওলোৱা পোৱালিক কোমল আৰু সৰু পাত খুৱাব লাগে আৰু পলু ডাঙৰ হোৱাৰ লগে লগে ডাঙৰ আৰু সতেজ পাত নিয়মিত ভাৱে দিব লাগে। পলু পূৰ্ণবয়স্ক হ'লে কোষ বান্ধিবলৈ আৰম্ভ কৰে। সেই উন্নত মানৰ কোষ সমূহ কাটি বা সিজাই তাৰ পৰা আঁহ উলিয়াই সূতা কটা হয়। এই সূতাৰ পৰাই বিভিন্ন বস্ত্ৰ প্ৰস্তুত কৰা হয়। এৰী পোহা অসমৰ এক লাভজনক আৰু ঐতিহ্যবাহী উদ্যোগ। সঠিক পদ্ধতি অনুসৰি পালন কৰিলে কম খৰচতে অধিক লাভ পোৱা যায়। সেয়েহে গ্ৰাম্য অৰ্থনীতি উন্নয়নত এৰী পোহাৰ গুৰুত্ব অত্যন্ত বেছি।

পাট সূতা 'বোম্বিক্স মোৰি' নামৰ পতংগবিধৰ পৰা উৎপাদন কৰা হয়। এৰীৰ দৰে পাট পলুও সম্পূৰ্ণভাৱে ঘৰৰ ভিতৰত পালন কৰা হয়। পাট পলু অসমৰ এক অধিক মূল্যবান আৰু ঐতিহ্য বাহী ৰেচম কীট। পাট পলুৰ পৰা উৎকৃষ্ট মানৰ মুগা আৰু পাট ৰেচম উৎপাদন কৰা হয়। অসমৰ গ্ৰাম্য অৰ্থনীতি, কুটিৰ শিল্প আৰু স্বনিয়োজিত ব্যৱস্থাত পাট পলুৰ পোহাৰ বিশেষ গুৰুত্ব আছে। সঠিক নিয়ম অনুসৰি পাট পলু পোহিলে উন্নত গুটি, অধিক সূতা আৰু ভাল আয় লাভ কৰিব পাৰি। এই পাট পলুৰ মুখ্য খাদ্য হৈছে - সোম, সোৱালু, দিঘলতী, মেজাংকৰী আদি গছৰ পাত।

পাট পলু পোহা অসমৰ এক লাভজনক আৰু গৌৰৱময় কুটিৰ উদ্যোগ। বৈজ্ঞানিক পদ্ধতিত পাট পলু পোহিলে অধিক উৎপাদন, উন্নত গুণমানৰ ৰেচম আৰু আৰ্থিক উন্নতি লাভ কৰিব পাৰি। গ্ৰামাঞ্চলৰ বহু লোকৰ জীৱিকাৰ উৎস হিচাপে পাট পলু পোহাৰ বিশেষ স্থান আছে। সেয়েহে পাট পলু পোহাৰ উন্নত পদ্ধতি গ্ৰহণ কৰি এই শিল্পক আগবঢ়াই নিয়া উচিত।

অংকীতা শইকীয়া
দ্বিতীয় ষাণ্মাসিক

# গল্প



# সোণৰ নাও

কাঁঠালতলী গাঁৱত প্ৰদীপ নামৰ মানুহ এজনে বাস কৰিছিল। তেওঁ সৰুৰেই পৰা ভদ্ৰ আৰু সহজ সৰল হোৱাৰ বাবে গাঁৱৰ প্ৰায়বিলাক মানুহে তেওঁক ভাল পাইছিল। তেওঁ তেওঁৰ ঘৈণীয়েক আৰু দুটা যমজ সন্তানৰ সৈতে এটা সুন্দৰ জীৱন-যাপন কৰিছিল। তেওঁৰ ঘৰৰ অৱস্থাটো বৰ এটা ঠিক নাছিল বাবে গাঁৱৰ গাঁওবুঢ়া জনৰ ঘৰতেই তেওঁ বনুৱা হিচাপে কাম কৰি পৰিয়ালটোক পোহ-পাল দি আছিল। তাঁহঁতৰ ঘৰ মনত অভাৱ আছিল যদিও পৰিয়াল-টোৰ মাজত কোনো দিনাই হাই-কাজিয়া হোৱা নাছিল। তেওঁ পৰিয়ালটোক দুবেলা-দুমুঠি খোৱাই হ'লেও সুখেৰে ৰাখিছিল।

প্ৰদীপে যদিও গাঁওবুঢ়াৰ ঘৰত কাম কৰিছিল কিন্তু তেওঁৰ ঘৰৰ পৰা গাঁওবুঢ়াৰ ঘৰলৈ প্ৰায় চাৰি কিলোমিটাৰ মান দূৰ বাট আছিল। তেওঁৰ আৰু গাঁও-বুঢ়া ঘৰৰ বাটৰ মাজ ভাগতেই এটা বৰ নামঘৰ আছিল আৰু নামঘৰৰ কাষতেই পুৰণি ৰজাঘৰীয়া দিনৰ এটা বৰ-পুখুৰী আছিল। পুখুৰীটোৰ পাৰত সকলো আম, কঠাল, জামুকৰ দৰে ডাঙৰ ডাঙৰ গছবোৰে আৰু সৰু সৰু বন-লতাবোৰে পুখুৰীটোৰ পাৰ মিলি জুৰণি কৰি তুলিছিল। পুখুৰীটো বহুতো ফুল যেনে ভেট, পদুম আদিৰ লগতেও বিভিন্ন ধৰণৰ মাছ আৰু কাছৰে ভৰি আছিল।

বজোধৰীয়া দিনৰ খোৱাৰ বাবে পুখুৰীটোত মাছ কাছ ধৰিবলৈ কোনেও সাহস কৰা নাছিল। পুখুৰীটো দিনৰ ভাগত যিমান শুৱনি আছিল ৰাতি কিন্তু সিমানেই গভীৰ আৰু ভয়ংকৰ পৰিবেশ আছিল। আজিও আন দিনাৰ দৰে নাঁওখনৰ ঘৰৰ পৰা কাম কৰি অহাৰ দৰে সেই দিনাও সি তেনেদৰেই আহিছিল। কিন্তু সি সেই দিনা ঘৰলৈ আহোঁতে তাৰ অলপ পলম হোৱাত সি সৰু-মেধা কৈ ঘৰলৈ আহিছিল। তাতেই আকৌ জীৱন দিলে। খোজেৰে আহি আহোঁতে বাৰে বাৰে তাৰ কাণত কুঁৱলীয়ে আহা যেন ধাৰাছিল। সি তেনেদৰে সৰ-মেধা কৰি আহি আবেগতেই নামঘৰৰ ওচৰ পালেহি। সি নামঘৰৰ পৰা হঠাৎ কিবা এটা শব্দ শুনা যেন পোৱাত সেই ফালে চকু ফুৰাই দেখে যে নামঘৰৰ কাষত থকা পুখুৰীটোত কিবা এটা জোনাক আছে। কুঁৱলীয়ে বাট ফেটি ধৰি থাকিছিল বাবে দূৰৰ পৰা একো মানিব নোৱাৰি সি পুখুৰীটো কাষ চাপি গ'ল। তেতিয়া সি দেখিলে যে, পুখুৰীটোৰ মাজৰ পানীখিনিৰ ভিতৰত এখন সৰু সোণৰ নাঁও এখন জিলিকি আছে। সি চকু কেইটা মোহাৰি পুনৰ নাঁওখনৰ ফালে চাই দেখিলে যে এইখন সঁচাকৈ সোণৰ নাঁও। প্ৰথমে নাঁওখনক লৈ তাৰ মনত একো ভাৱ অহা নাছিল কিন্তু লাহে লাহে তাক নাঁওখনে আকৰ্ষিত কৰিবলৈ ধৰিলে। আৰু তাৰ মনত নাঁওখনৰ প্ৰতি লোভৰ ভাৱ জাগিছিল। সি নাঁওখন আনিবলৈ লওঁতেই পাছফালৰ পৰা তাক তাৰ ঘৈণীয়েকে মাত লগালে— "খেৰি শুনিছেনে"।

হঠাতে সি ঘৈণীয়েকৰ মাতটো শুনি থৰ লাগি গ'ল।

ধেমালীয়েকে অনেদৰে থৰ-বৰ লোৱা প্ৰদীপক দেখি উভৈলি
হাঁহি আকৌ একাৰ মাত লগাই সুধিলে। "কেৰি আপুনি-
ইমান পৰলৈকে ইয়াত কি কৰি আছে। ধেমালীয়েকে অনেদৰে
সুধাত প্ৰদীপে তাইৰ কথা আওকাণ কৰি- "তুমি ইয়াত
কেনেকৈ" বুলি প্ৰদীপে ওলোটাই তাইকে হে প্ৰশ্ন কৰিলে।
প্ৰদীপৰ প্ৰশ্নটো শুনি প্ৰদীপৰ ধেমালীয়েকে কলে- আপুনি
আজি ইমান দেৰিলৈকে ঘৰলৈ নহাত মোৰ বৰ চিন্তা হৈছিল
কাৰণে আপোনাক বিচাৰি মই গাঁওবুঢ়া দাদাইৰ ঘৰ পালোঁগৈ।
দাদাইৰ ঘৰ পাই গম পালো যে আপুনি বেলি থাকোঁতেই-
ঘৰলৈ আহিলে। তেনেকৈ কেনেবাকৈ লৰা-লৰিকৈ মইও-
ঘৰলৈ আহোঁতে আপোনাক ইয়াতে দেখি মাত লগালো।
প্ৰদীপে ধেমালীয়েক কথাখিনি শুনি ঈষৎ মিচিকিয়া-
হাঁহি মাৰি "বলা আমি ঘৰলৈ যাওঁ" বুলি কৈ ধেমালীয়েকৰ
হাতত ধৰি ঘৰলৈ আহিল। ঘৰত আহিল যদিও-
বাৰে বাৰে তাৰ মনত নাঁওমনৰ কথাকে আহি আছিল।
সি নাঁওমনৰ কথা ভাবি থকাৰ বাবে ভাত পানীও ভাল
দৰে নাখাই বিচনাত পৰিলগৈ। বিচনাত পৰিল যদিও
তাৰ টোপনি নাহিল এফালি সেকাটি কৰিয়েই সি ৰাতিটো
পাৰ কৰিলে। পিছদিনা পুৱাই সি আগৰদৰে কাম
কৰিবলৈ বুলি গাঁওবুঢ়াৰ ঘৰ পালেগৈ। সেইদিনা সি
নাঁওমনৰ কথা ভাবি থকাৰ বাবে কামটো ভালদৰে
মন দিব পৰা নাছিল। সি সকলো কাম-বন কৰো
নকৰোকৈ আধাৰি ঘৰলৈ আহিবলৈ ললে। ঘৰলৈ
আহোঁতে আঁহিয়াই লাগি বাটত কুৰলীয়ে আৱৰি
আছে। সি গৈ এক কেঁঠা এখন সোমাজি থাকোতে
ৰব-পুখুৰীৰ ওচৰ পালেহি। হঠাৎ তাৰ ৰব-পুখুৰীৰ
ফালে চকু ঘূৰাওতে দেখিলে যে পুখুৰীটোৰ মাজত-
আকৌ নাঁওমন দেখি সি অইবাৰ অলপো দেৰি
নকৰি দৌৰি গৈ পুখুৰী পাৰ পাই লৰা লৰি
কৰি পুখুৰীত নামি নাঁওমন গাত লোৱা কেঁঠাৰ

সুবিধাই ল'লে। পুখুৰীৰ পৰা মৰ-মেকুৰীটো উঠি ঘৰলৈ গ'ল। ঘৰ পাই পুৰণা বাকচ এটাত মনে-মনে নাওমন সুমুৱাই থ'লে। তাৰ এই কথাৰ বিষয়ে ঘৈণীয়েকক কাকো উমানেই নাপালে। নাওমান পাই তাৰ মনত বৰ আনন্দ লাগিল। মনতেই ভাবিলে যে সি আৰু গাঁওবুঢ়াৰ ঘৰত কাম কৰিব যাব নালাগে। সি এইবাৰ তাৰ নিজৰ ইচ্ছামতে থাকিব পাৰিব। এনেদৰে সি কামলৈ যাবলৈ বন্ধ কৰি দিলে। তেনেকৈ কাম কৰিব নোযোৱাৰ বাবে ঘৈণীয়েকৰ বৰ চিন্তা হ'ল। লাহে ঘৰত খোৱা বোৰ নাইকিয়া হৈ আহিছিল ঘৰমনত এবেলা খাবলৈ নোহোৱা হোৱাত তাক ঘৈণীয়েকে কামলৈ যাবলৈ ক'লে। সি ঘৈণীয়েকৰ কথা শুনি কাইলৈৰ পৰা কামলৈ যাম বুলি ক'লে। সেইদিনা সি ভাত-পানী খাই বিচনাত পৰিল। বিচনাত পৰি টোপনি গৈ আছোঁতে মাজ নিশা প্ৰদীপে এটা সপোন দেখিলে। সপোনত এটা বগলা চৰাই আহি বিচনাত পৰিল আৰু তাৰ কাণত বাৰে বাৰে নাওমন আনৰ হাতত দি আহিব কৈ আছিল। সি সাৰ পাই কোঠাৰ চাৰিওফালৰ নিজান অৱস্থাটো দেখি বগলা মানুহটোৰ কথা ভাবি তাৰ মনত ভয় লাগিল আৰু সি ভয়তেই গাত লোৱা কাপোৰখনেৰে মূৰৰ ফালেকে ঢাকি শুবলৈ চেষ্টা কৰিলে। ৰাতি পুৱালে সি ৰাতি দেখা সপোনটোৰ কথা মনে ভাবি থকা নাছিল। সি কামলৈ বুলি ওলাওঁতে ঘৈণীয়েকক মাতি ক'লে— "মোৰ আজি কামলৈ যাব নালাগে ছাগে। মোৰ গাটো আজি বৰ বেয়া।" ঘৈণীয়েকৰ কথা শুনি সি কামলৈ নগৈ দিনটো ঘৰতেই থাকিল। দিন পাৰ হৈ গৈ থাকিল লৰা কেইটা অৱস্থাত লাহে লাহে বেয়া হৈ আহি থাকিল। আৰু লৰা কেইটা বিচনাৰ পৰা উঠিব নোৱাৰা হ'ল।

প্ৰত্যেক দিনাৰ দৰে সেই দিনাও গোটেই পৰিয়ালটোৱে ভাত-পানী খাইছিল। তাহাঁতে প্ৰথমেই খোৱা নাছিল আজি অইং সাজ ভাত তাহাঁতৰ বাবে শেষৰ সাজ হ'ব। ভাত-পানী খাই সিহঁতে দিনটো কৰা কামৰ ভাগৰ থকাৰ বাবে সিহঁত দুয়োজনে বিচনাত পৰাৰ লগে লগেই টোপনি গ'ল। সেইদিনা ৰাতি ৰাতে ৰাতে সি সেই জাখলাটোৰে আহি আৰু লৰা কেইটাও জাখলাটোৰ পাছত লৈ খোৱা সময়টো দেখি সৰ-মেদাই থৰ-বৰ খাই আৰু পাছত লৰা কেইটাক চাবলৈ গৈ দেখিলে যে লৰা কেইটা বিচনাখনত নাই। লৰা কেইটাক বিচনাত নেদেখি দুয়োটাই চিন্তাত পৰিল আৰু ঘৰৰ চাৰিওফালে লৰা কেইটাক বিচাৰিবলৈ ধৰিলে। চাৰিও ফালে বিচাৰি নোপোৱাত সিহঁতে চিঞৰ বাখৰ কৰিবলৈ ধৰিলে। সিহঁতৰ চিঞৰ শুনি গাঁৱৰ মানুহবোৰ আৰু পাছ তাহাঁতৰ ওচৰলৈ আহিল আৰু সুধিবলৈ ধৰিলে- " কি হল অ. তহঁতৰ ইমান ৰাতি মান কিয় চিঞৰ-বাখৰ কৰিছ।" তেতিয়া প্ৰদীপে ক'লে- "ককাই হঁত আমাৰ লৰা কেইটা ইমান ৰাতিমান ক'ত গ'ল জানো বিচাৰি পোৱা নাই।" প্ৰদীপৰ কথা শুনি গাঁৱৰ মানুহবোৰেও অবাক হৈ চিন্তাত পৰিল ইমান ৰাতি মান লৰা কেইটা ক'ত যাব পাৰে। গাঁৱৰ মানুহবোৰেও লৰা কেইটাক বিচাৰিবলৈ ধৰিলে কিন্তু বিচাৰি নোপোৱাত প্ৰদীপ আৰু তাৰ ঘৈণীয়েকে গুনাই গুনাই কান্দিবলৈ ধৰিলে। প্ৰদীপক তেনেকৈ গাঁৱৰ ওচৰৰ মানুহ এটাই পুখুৰীটোৰ তাত দুটা লৰা মৰি আছে বুলি খবৰ দিয়াত সি লৰা লৰিকৈ পুখুৰীটোৰ ফালে দৌৰ মাৰিবলৈ ধৰিলে। তাক তেনেকৈ দৌৰা দেখি গাঁৱৰ মানুহবোৰেও তাৰ পিছে পিছে যাবলৈ

ধাবিলে। পুখুৰী পাৰ পাই সি পুখুৰীটোলৈ নামি গৈ
নেৰা দুটাক টানি আনিবলৈ চেষ্টা কৰিলে। তাক
সহায় কৰিবলৈ পাছৰ চাৰি-পাঁচজন মানুহে তাক
সহায় কৰি নেৰা দুটাক পাৰলৈ টানি আনিলে। সি
নেৰা দুটাক এনেকৈ দেখা পাই প্ৰদীপ মৰা মানুহৰ
দৰে হৈ পৰিল। সেই সময়তেই প্ৰদীপ ছোৱালীজনীয়ে কো
আহি পালেহি। নেৰা কেইটাক এনেকৈ পৰি থকা দেখি
লগে লগে অচেতন হৈ পৰিল। পাছৰ মহিলা কেইজনী
মানে প্ৰদীপৰ ছোৱালীজনীক ধৰি আনি ঘৰ সোমালেহি
আৰু মতা মানুহ কেইজন মানে নেৰা কেইটাৰ মৰা
দেহ কেইটা তুলি লৈ ঘৰৰ সন্মুখত থৈ থাকিল।
নেৰা কেইটাৰ মৰা দেহ কেইটা দেখি প্ৰদীপ আৰু
প্ৰদীপৰ ছোৱালীজনীয়ে বুকু ফাটি [illegible] লৈ হিয়াই
বিনাই কান্দিবলৈ ধৰিলে। সি কোনো কোনো মনতেই
নিজকেই বাৰে বাৰে দুখী ভাবি নেৰা কেইটাৰ মৃত্যুৰ
[illegible] বিচাৰিলে। পাছৰ সকলো মানুহে দেহ কেইটা
নি যথা নিয়ম অনুসৰি নীতি পালন কৰি
নেৰা কেইটাক সৎকাৰ কৰি দিলে। এনেদৰেই দিনটো
পাৰ হ'ল। [illegible] কৰ্ম কৰি আহাৰতি উদ্ধাৰ
হ'ল। সেই দিনাই সি মনতেই প্ৰতিজ্ঞা কৰিলে যে
তাৰ নেৰা কেইটাক যি উদ্ধাৰ আনিব মোৰাবে [illegible]
সি কৰা ভুল কামৰ প্ৰতিকাৰ কৰিব। সে ধাতু
মালা মোৰাৰ পিছত মনে মনে কাচৰ বাকচটোৰ
পৰা নাওখন লৈ ঘৰ লগতে ছোৱালীজনীক আৰু
মোমাৰ নাওখনৰ সৈতে দেখা পালে। ছোৱালীজনীক
দেখি মোৰাৰ বাবে নেৰা নাৰকৈ সি তাই গুচকে
পৰা পাহি বৰ পুখুৰীটোৰ পাৰ পালেগৈ। আৰু

নাওঁমন আগাৰ চিন্তিত হৈ পৰিলে বুলি উত্তৰিলে। যাৰ টো লাই দেখিলে যে মালাই তাৰ কাৰণে ঘৰৰ অন্যান্যতেই বৈ আছে। যেনীয়েকক দেখি সি বুজিব পাৰিলে যে অতিয়া সি বহুতো প্ৰশ্নৰ সন্মুখীন হ'ব লাগিব। কিন্তু মালাই তাক এবেলোৰেই প্ৰশ্ন নকৰি কেৱল "যি হব লগীয়া আছিলে হৈ গ'ল। এতিয়া মই জানো আপোনাক কিবা প্ৰশ্ন কৰি লাভ আছে। যি বুজিব আছিলো সকলো বুজিলো মই। মই জানো যে এবাৰ পাৰ হৈ যোৱা সময় আকৌ ঘূৰাই আনিব নোৱাৰি। কিন্তু মোৰ মনত এটাই দুখ থাকি যাব "আপোনাৰ এই ভুলৰ বাবে মই মোৰ লৰা কেইটাক হেৰুৱালো।" এই বুলি সে তাই আকৌ কান্দিবলৈ ল'লে। তাইক কন্দা দেখি আমাৰো তাইৰ কাষত বহি মন বাৰি আলপ কান্দনা দি উঠিবলৈ লাগিল।

শ্ৰীমতী নীলাক্ষী বৰুৱা
দ্বিতীয় ষাণ্মাসিক

মহৎ লোকৰ বাণী

"আনে কি কৰিছে তাতকৈ নিজে কি কৰিছো তাহে বোজা দৰকাৰ।"
—— ৰাজা ৰাম মোহন ৰায়

# কাব্য

# শ্ৰদ্ধাঞ্জলি

তিনিকোটি জনতাৰ
অশ্ৰু নিগৰাই
গ'লাগৈ অজান দেশলৈ
কিয় গ'লা তুমি
সাগৰৰ বক্ষত কৰি ধেমালি
কান্দিছে আজি অনুৰাগীয়ে
কান্দিছে তোমাৰ ফেন ক্লাবে
কোনে কাক দিব শান্তনা
আজিৰ পৰা
তোমাৰ গীতত
নহয় যে সিহঁত উন্মনা

গীত গাই গ'লা
কঁপাই আকাশ বতাহ
শিশুৰ মুখত শুনো
নৱ প্ৰজন্মৰ মুখত শুনো
আবাল বৃদ্ধ বনিতাৰ
কণ্ঠতো তোমাৰ গীতৰ কলি

দুকুৰি ভাষাৰ অজস্ৰ গান
সেই সৃষ্টি
আজি ক্ষন্তেকতে ম্লান
বতাহত মিলিলে
অজেয় সেই জুবিন নাম
চিনি পায় তোমাক
অসমৰ গছ বিৰিখে
নদ - নদীয়ে
পাহাৰ ভৈয়ামে
লক্ষ লক্ষ অনুৰাগীয়ে

সঁচা অন্তৰৰ
সঁচা মৰমৰ
প্ৰতিফলিত কণ্ঠ নিগৰাই
গাঠিলা সৰ্ব সুৰী গীতৰ মালা

পলিটিক্‌চ নকৰিবা বন্ধু ..... ?
কুটিল ৰাজনীতিৰ
জটিল ধাৰণা
যাৰ পৰা নিলগত তুমি
মানৱ সেৱাঁ তোমাৰ ধৰ্ম
উপলব্ধ আজি বেদনাৰ মৰ্ম ।

দুকুৰি বাৰতে জীৱন নাওৰ
আসৰণি মাৰি
অগনন অনুৰাগীৰ
হৃদয় ভেদি
ল'লা মৃত্যুক সাৱটি

জনতাই দিলে বহু সন্মান
তোমাৰ গানত
জাগে জনতাৰ প্ৰাণ
বতাহত বাজিব
হৃদয়ত বাজিব
চিৰদিন অসমে সুঁৱৰি থাকিব

চিৰশান্তিৰ কোলাত
আছা তুমি শুই
যাচিলোঁ শ্ৰদ্ধাঞ্জলি
দুচকুত বেদনাৰ জুই

— বিৰাজ গগৈ
দ্বিতীয় ষান্মাসিক

# পথাৰ

আগুনৰ দোকমোকালি পুৱাতে
উকা উকা পথাৰবোৰে
বাৰে বাৰে খেতিয়কক
ৰিঙিয়াই মাতে,
"আহা মোৰ ককাই
মোক তুমি শুৱনি কৰাহি
তোমাৰ নাঙলৰ
জীৱনু বিলায়।"

তেতিয়া,
পথাৰো সেউজীয়া হ'ব
বোৱনী আহিব মেখেলা কোঁচাই
বোকাৰ মাজত
জোকৰ ভয়ত,
মৰমৰ কঠিয়াৰে
এগোজ দুগোজ কৰি
পথাৰখনো পৰিব ভৰি।

ভাদ আহিন মাহত
হালোৱা কাই
বোৱনী বাই
লয় জিৰাই শতাই।
কাতিও আহে লাহে লাহে কৰি
পথাৰৰ চাকিৰ
পোহৰ পায়।

আইৰ তুলসী তলৰ চাকি
পথাৰতো থাকে জিলিকি
লখিমী আহিব
গাঁৱৰ ঘৰলৈ
গৃহস্থৰ আশা পুৰণ কৰি ।

লখিমী থাকে পথাৰৰ মাজত
লাগে আনিব আদৰি
সেয়ে কৰোঁই কাতিক বিদায় দি
আঘোণক আনে আদৰি

আঘোণৰ পথাৰেও বিচাৰে
দাৱনীৰ কাচিৰ সুৰ
জাক পাতি লোৱা সোৱাদ
ৰবাব টেঙা টোৰ
আৰু আছে জুলা ভাত
সকলোৰে মিঠা মাত

কিমান যে আনন্দ
উপমা নাই দিবলৈ
বিচাৰি মাথোন এটি জীৱনৰ ছন্দ ।

যি জীৱনত আছে
সেতিয়াকৰ কান্ধত থকা
দাওৰিৰ জিৰিকি জিৰিকি মাত
ধানভোৱা সেই সব চৰাইজাকৰ
মিঠা সুহুৰিৰ মাত
উলাহত কিৰিলি পৰা
দাৱনীৰ মাত
আৰু যে কি নাই তাত ?

সেতিয়াকে বিদায় দি পথাৰৰ
সেউজী , সোণালী স্মৃতি
ঘৰলৈ উভতি আহে
লাভবলৈ এক নতুন
সাজৰ তৃপ্তি ।

স্মৃতিবোৰ এৰি আহে
পথাৰৰ নিৰ্জন কোণত
থিয় হৈ পাৰি থকা
নৰাৰ মাজত .....
লৈ এক নতুন
সপোন ৰেঙণি
আশাৰ , হেঁপাহৰ সুমৰ .... ।

- লাকী গগৈ
ষষ্ঠ ষাণ্মাসিক

## কৌতুক

ছমাহীয়া পৰীক্ষাত ভূগোলৰ প্ৰশ্ন আহিছে : পৃথিৱীত প্ৰথম কেতিয়া জীৱ সৃষ্টি হৈছিল ?
ছাত্ৰ এজনে লিখিলে : “ সেইকথা একমাত্ৰ ভগৱানেহে জানে।”
পৰীক্ষকে বহী চাই শূণ্য এটা দি মন্তব্য লিখিলে : তেতিয়া হ'লে সম্পূৰ্ণ নম্বৰ ভগৱানকে দিলোঁ ।”

(সংগ্ৰহ)

# নিস্তব্ধতাৰ গান

খিৰিকীখন মেলি দিলেই বতাহজাক আহে,
স্মৃতিৰ কোঠাত এতিয়াও পুৰণি সুবাস ভাহে।
যিবোৰ কথা কোৱা নহ'ল কাকো কোনোদিন,
সেইবোৰ কথাই বহীৰ পাতত আজি ৰঙীন।

মই বিচাৰোঁ অলপ জিৰণি এমন অজান ঠাইত,
য'ত হুলস্থূল নাই, মাথোঁ শান্তি আছে শেষত।
বালিৰ ঘৰবোৰ সাগৰে ভাঙি নিলেও ক্ষতি নাই,
মই পুনৰ সজাম সপোনবোৰ জোনাকৰ পোহৰ পাই।

বতাহজাকক সুধিছোঁ — মোৰ ঠিকনা জানানে তুমি?
তেওঁ হাঁহি মাৰি ক'লে – বিচাৰি চোৱা নিজৰ অন্তৰ্ভূমি।
শব্দবোৰ আজি মোৰ বৰ আপোন হৈ পাৰিছে,
কাৰণ মই নজনাকৈয়ে এটি নতুন কবিতা পাঢ়িছে।

- নৱনীতা গগৈ
দ্বিতীয় ষাণ্মাসিক

# মৰুভূমিত মুকুতাৰ অন্বেষণত

স্নিগ্ধ এপাহ গোলাপৰ
সোৱাসৰ দৰে ,
মই নিজকে বিচাৰি পাওঁ
এখনি সুন্দৰ ফুলনিৰ
মাজত ...
য'ত ...
মই কেতিয়াবা
নিজকে হেৰুৱাইছোঁ
এজাক ...
পখিলাহঁত পখিলাৰ দৰে
পলকতে !
কিন্তু , কি হ'ব ... ?
সেই স্নিগ্ধ ফুলপাহৰ
সুবাসৰ দৰে ...
মোৰ মনৰ
অব্যক্ত বাসনাবোৰ
জানো ... ? ... ??
বিলীন হৈ যাব ... ?
সেই নীল সাগৰৰ গভীৰতাত
য'ত ...
মোৰ অতৃপ্ত
বিষাদৰ জ্বালা
লুপ্ত হৈ যাব ,
আৰু ...

মই নিজকে
এখন মন পাৰম্যা,
প্ৰমোদ কাননত ...
বিচাৰি পাম !

য'ত,
মোৰ সাঁচতীয়া
অন্তহীন কল্পনাই
উটি ভাঁহি ফুৰিব ...
হৃদয়ৰ কোঁহে কোঁহে
মাতৃস্নেহৰ
গাম্ভীৰতাৰ দৰে ॥

কাৰণ ...
মোৰ আশা আছে
সেই অতৃপ্ত বাসনাৰ
তৃপ্ত সোৱাদ ল'বলৈ

— অংকিতা শইকীয়া
দ্বিতীয় ষাণ্মাসিক

# শৰতৰ পূৰ্ণিমা

শৰতৰ নিশা ফুলা শেৱালী
মই যেন তাৰেই এপাহি
সৰি পৰোঁ পুৱাৰ দুৱৰিত,
সৰা ফুল বুটলি
কোনে বাৰু গাঁথিব
সৰসৰ মালাখনি
কাৰোবাৰ অভিশাপত
হেৰাই যাওঁ অকালত
বেদনাকে সাৱটি
পৃথিৱীৰ আচলৰ বুকুত ।

— অংকিতা শইকীয়া
দ্বিতীয় ষাণ্মাসিক

## মহৎ লোকৰ বাণী

- যি নিজকে হেৰুৱাই তেওঁ সকলো হেৰুৱাই ।

— মহাত্মা গান্ধী

# গ্রন্থ সমালোচনা



# 'মোৰ এটা সপোন আছে'..

বহল চাংমনৰ কাষতে দীঘল টেবুলমন। চাৰিটা খুঁটা পুতি বাঁহেৰে বনোৱা টেবুলমন আচলতে এমন চাংহে। টেবুলৰ ওপৰত নিৰ্দিষ্ট স্থানত থাকে কিতাপ-পত্ৰ। আৰু তাত আমি সকলোৱে টেবুলৰ অন্ধমন আন্ধিয়া জুৰোঁ। আমাৰ ভাল্লিয়াবোৰ এনেদৰেই আৱদ্ধ হয়। দীঘল বাঁহৰ টেবুলমনত একেটা চাকিৰ পোহৰতে আমি পঢ়োঁ। আমি যিমান পাৰি যিমান জোৰেৰে চিঞৰি পঢ়ো। কেতিয়াবা দেউতাই জুমুকি মাৰি চায়, কেতিয়াবা মায়ে। আমি যে মনপুতি পঢ়ো সেয়াও নহয়।

মই যি ঠাইত, যি পৰিয়ালত জন্ম লৈছিলোঁ, সেই ঠাইত আধুনিক জ্ঞান-বিজ্ঞান সভ্যতাৰ শিক্ষা লোৱাৰ সপোন দেখাটো প্ৰায় অবাস্তৱৰ দৰে আছিল। মোৰ জন্ম হৈছিল অসম-অৰুণাচল সীমান্তৰ কৈলাসপুৰৰ টঙনো ন-গাঁও নামৰ গাঁৱত। মানুহে আমাৰ গাঁওমন বেতনি গাঁও বুলিছিল।

আধুনিক জ্ঞান-বিজ্ঞান সভ্যতাৰ শিক্ষা লোৱাটো এমন গাঁৱত অবাস্তৱ কথা নহয়নে? এয়া হৈছে গ্ৰন্থমনৰ এক চমু আলোচনা। গ্ৰন্থ কি? এই বিষয়ে নিশ্চয় পাঠকৰ মনত কৌতূহল জন্মিছে। গ্ৰন্থমন হৈছে ড° ৰংবুল মাউতৰ 'মোৰ এটা সপোন আছে'। পাঠকৰ সমালোচকৰ মতে, 'মোৰ এটা সপোন আছে' উপন্যাসমন 'সৰল' ভাষাৰে পৰিস্ফুট এক বিৰল সৃষ্টি'। এইমন লেখকৰ আত্মজীৱনীমূলক এমন গ্ৰন্থ। এই উপন্যাসমনৰ চৰিত্ৰসমূহ হৈছে লেখক ড° ৰংবুল মাউত, তেওঁৰ পিতৃ-মাতৃ, কণ-মন, বেনুধৰ বৰুৱা, ককাইদেউ, বাইদেউ, আইতা, পেহী, ইন্দ্ৰ ছাৰ, অংক ছাৰ, শ্যামল দা, প্ৰিয়দা, জ্ঞানেশ্বৰ বৰুৱা, দুৰ্গেশ্বৰ দদাইদেউ, ড° জাৰুৱী, ড° ৰাও, ড° শৰ্মা, ড° ৰায়, শশাংক দা, ড° গৌতম চক্ৰৱৰ্তী, ইপ্সিতা পাল, ফাৰুক বাজেটী, ড° বৰুণ, ড° কোলমোৰ, ৰেয়মণ্ড বেভেন, ডোঃ গ্ৰিইফাৰ, আলি, ড° ষ্টোনিষ্ক।

গ্ৰন্থমনৰ কাহিনীটো চমুকৈ এনেধৰণৰ। গ্ৰীষ্মকালৰ দিন আন্ধিয়া ৰেডিঅ'ত ছয় বাজি পঞ্চাল্লিশ মিনিটৰ আঞ্চলিক বাতৰি ঘোষণা কৰিলে- কাইলৈ মেট্ৰিকৰ ৰিজাল্ট দিব। জুলাই মাহৰ দহ তাৰিখৰ দিনৰ এঘাৰ বজাত। বুকুৰ ধপধপনি বাঢ়িল। পুৰা ছয়মান বজাতে আহিলোঁ টাউনৰ বজাৰ। বুকুৰ ধপধপনি বাঢ়িল। পুৰা ছয়মান বজাতে আৰ্হি টাউনৰ ভাত কেইটামান খাই ৰিজাল্ট আনিবলৈ বুলি মই কাকপথাৰলৈ ওলালোঁ। সেই সময়ত কৈলাসপুৰৰ পৰা ফাৰ্ষ্ট ডিভিজন পোৱাটো আলিমিৰকত চেৰত দৰে কঠিন আছিল। ৰিজাল্ট ওলাল। নটিছ বৰ্ডমন লোণৰ সদৰপোৱাৰ দৰে কঠিন আছিল। হঠাৎ মোৰ কেইবা বাৰো চোৱাৰ পিছতো মই মোৰ নম্বৰটো নেদেখিলো। হঠাৎ মোৰ চকু বৰ্ডমনৰ একেবাৰে ওপৰৰ বাওঁফালে গ'ল। তিনিটা নম্বৰ লিখা আছিল- ফাৰ্ষ্ট ডিভিজন....; ০৩২০। মোৰ ৰোল নম্বৰ আছিল- ০৩২০।

মই মোৰ সমাজৰ নিভৃত কোণত এক সপোন দেখিবলৈ লৈছিলোঁ- এনে কষ্টহীন মনোৰম পৃথিৱী। মেট্ৰিক পাছতেই আছিল মোৰ এই সপোন বাস্তৱ হোৱাৰ প্ৰথমটো খোজ। মোৰ লক্ষ্য, জীৱনৰ দিশ পৰিৱৰ্তন কৰি দি গৈছিল এই দিনটোৱে। সেই দিনৰ বাবে। জীৱনত এটা নতুন সপোনে পোখা মেলিবলৈ ধৰিলে।

চেনাইৰাম হায়াৰ চেকেণ্ডাৰীত নাম লগোৱা স্থিৰ হ'ল। আৰম্ভ হ'ল মোৰ জীৱনৰ নতুন এটা অধ্যায়। ফিজিক্স- কেমিষ্ট্ৰী বিষয়ত মোৰ বেছ দখল আছিল। মই হায়াৰ চেকেণ্ডাৰী পঢ়ি থকা সময়ত ঘৰৰ আৰ্থিক অৱস্থা একেবাৰে বেয়া হৈ পৰিছিল। মাৰৰ বাবে এসাঁজ খোৱা ভাতৰ অভাৱ হৈছিল। খুব কষ্টৰ মাজেৰে হায়াৰ চেকেণ্ডাৰী পাছ কৰিলোঁ। যদিও মেট্ৰিকৰ দৰে ৰিজাল্ট ভাল হোৱা নাছিল। কিতাপ কিনিবলৈ পইচাৰ অভাৱ হোৱাৰ বাবে এবাৰ ককাইৰ লগতে বিভিন্ন অনৈতিক কামত লিপ্ত হৈছিলোঁ। ককায়ে কাম কৰা ফেক্টৰীৰ পৰা আঁশুলতে এলুমিনিয়ামৰ পাত মোৰ হাতেৰে সৰবৰাহ কৰি পাতিধাইছিল।

হায়াৰ চেকেণ্ডাৰী পাছ কৰিয়েই কেমিষ্ট্ৰীত অনাৰ্চ লৈ ডিগ্ৰী পঢ়াৰ সিদ্ধান্ত ল'লোঁ। লাইব্ৰেৰীৰ অফ এ কটন আৰু জেফাৰি উইলকিনচনৰ প্ৰিন্সিপল অৱ ইনৰগেনিক কেমিষ্ট্ৰী আই এল ফিনাৰৰ অৰগেনিক কেমিষ্ট্ৰী, জেৰি মাৰ্চৰ ৰিয়েকচন মেকানিজম ইত্যাদি কিতাপবোৰে হঠাৎ মোক অংগ্ৰামৰ পৃথিৱীৰ পৰা আঁতৰাই অণু- পৰমাণুৰ এনে ৰহস্যময় পৃথিৱীলৈ লৈ গৈছিল। এই কিতাপকেইখন নপঢ়ালেকে মোৰ জীৱনৰ লক্ষ্য বুলিবলৈ একো নাছিল; ডিগ্ৰী পাছ কৰি স্কুল এখনত মাষ্টৰী চাকৰি এটা পালেও হ'ব। এই কিতাপকেইখনৰ জ্ঞানকে ভেটি হিচাপে লৈ মই বিজ্ঞানৰ বহল পৃথিৱীত ভৰি দিছিলোঁ।

মগজুত প্ৰশ্নবোৰৰ বাবে গৱেষণা কৰিবলৈ আমেৰিকালৈ যোৱাৰ সপোন এটাই উকমুকাই থাকিবলৈ ধৰিলে। নতুন বিষয় আছিল স্পেকট্ৰস্কপি। মই- উঠি পাৰি স্পেকট্ৰস্কপি পঢ়িবলৈ ধৰিলোঁ- বেনৱেল আৰু চান্দ্ৰৰ কিতাপ। আমেৰিকাৰ পৰা ভাৰতলৈ আহি মুম্বাইৰ টাটা ইনষ্টিটিউট অৱ ফাণ্ডামেণ্টেল ৰিচাৰ্চত মোৰ তত্ত্বাৱধানত 'মাছ স্পেকট্ৰ'মেট্ৰি চেণ্টাৰ ফৰ প্ৰ'টিয়মিক্স' নামৰ নতুন চেণ্টাৰ এটা গঢ়ি উঠিছিল। ডিগ্ৰীৰ তৃতীয় বছৰৰ ৰিজাল্ট অনুমান কৰাৰ দৰেই ভাল। ৰিজাল্টেই আছিল নতুন প্ৰতিশ্ৰুতি।

মাষ্টাৰ ডিগ্ৰী পঢ়িম বুলি কোৱাত ঘৰৰ মানুহে পঢ়া বাদ

দিবৰ বাবে উপদেশ দিলে। ইতিমধ্যে ঘৰৰ আৰ্থিক অৱস্থা অতি শোচনীয় হৈ পৰিছে। ঘৰৰ মাটি কেইবিধাও বন্ধকত গ'ল। মাইচ হৈ পৰিছে। ঘৰৰ আৰ্থিক অৱস্থা আৰু বেছি তললৈ নামি গৈছিল যে এনেকুৱা অৱস্থা আগেয়ে হোৱা নাছিল। মোক পঢ়াৰ খৰচ দিবৰ বাবে ঘৰত দেউতাই চুলাইৰ ব্যৱসায় আৰম্ভ কৰিছিল যিয়ে দেউতাৰ শাৰীৰিক চুলাইৰ ব্যৱসায় কৰি বেছি ক্ষতি কৰিলে। মই নেন' টেকনল-জীৰ লেবৰেটৰী এটাত পি এইচ ডি কৰিবলৈ সুবিধা পালো। মায়ে ক'লে-'পঢ়িবলৈ যাব যদি যাবি, আমি হয়তো বাধা নিদিওঁ, কিন্তু আমাৰ পৰা এক পইচাও নাপাৱ। নাপাৱ মানে নাপাবি, ক'ৰ পৰা দিম।' ময়ো এইবাৰ ঘৰত পইচাৰ বাবে ধৰা নাই। পুনৰ ফেল'শ্বিপ পোৱা টকাৰে মই চলিব লাগিব। দৰিদ্ৰ পৰিয়ালত জন্ম লোৱাসকলৰ প্ৰথম দায়িত্ব হ'ল ঘৰৰ অৱস্থা ঠিক কৰা। ঘৰত মোৰ ওপৰত বিশ্বাস নাইকিয়া হৈছিল যে মই চাকৰি কৰিম। মা-দেউতাই বাৰে-বাৰে কৈছিল বোপাই-বন্ধকত থকা মাটিখিনি মুলি দে, আমাক বেলেগ একো নালাগে।

এদিন নিউজ কাকত এখনত এক বিজ্ঞাপন এটি পাই দেশৰ অগ্ৰণী গৱেষণা প্ৰতিষ্ঠান টাটা ইনষ্টিটিউট অৱ ফাণ্ডামেণ্টেল ৰিচাৰ্চত ছায়েন্টিফিক অফিচাৰৰ বাবে আবেদন কৰিলোঁ। আশা কৰা নাছিলো যদিও এদিন ই-মেইলৰ যোগেদি খবৰ আহিল মই বাছনি হৈছো। জীৱনৰ ভাগ্যই আন এটা মোৰ ল'লে। খবৰ পাই ঘৰত উমল-মাখল লাগিল, নালাগিবনো কিয় কিমান দিনৰ আশা এটা পূৰ হৈছে। ইণ্টাৰভিউ দিবলৈ যাওঁতে মোক সুধিছিল পি এইচ ডি এৰি কিয় আহিছা বুলি মোৰ উত্তৰ এটাই মই ঘৰৰ দায়িত্ব লব খোজো। চাকৰিটো পালোঁ। টি আই এফ আৰত যোগ কৰিয়ে ঘৰলৈ বুলি এখন চিঠি লিখিলোঁ যিখনত মই মুখামুখিকৈ বা টেলিফোনত ক'ব নোৱাৰা আবেগিক কথাবোৰ লিখিছিলোঁ। প্ৰথম মাহৰে দৰমহাৰে ৰবকৈ প্ৰয়োজন হোৱা বাবে ম'বাইল এটা কিনিলোঁ। মানী অৰ্ডাৰৰ যোগেদি ঘৰলৈ হাতত থকা টকা দুহেজাৰ পঠিয়াই দিলোঁ। মোৰ মনৰ ইমানে আনন্দ লাগিছিল যে বুকুৰে হুৰহুৰকৈ চকুলো বাগৰিছিল। এই সন্তুষ্টি মই জীৱনত দুবাৰ পোৱা নাই।

এনেদৰেই মোৰ বিজ্ঞান চৰ্চাৰ গৱেষণা চলি থাকিল। ছায়েন্টিফিক অফিচাৰ হিচাপে মই যোগ দিয়া বিভাগটো আছিল ডিপাৰ্টমেন্ট অৱ বায়'লজিকেল ছায়েন্স অৰ্থাৎ ডি বি এছ। মোৰ গৱেষণাৰ বিষয় হৈ প্লাচমডিয়াম অণুজীৱবিধে কেনেকৈ তেজৰ কোষৰ ভিতৰলৈ প্ৰবেশ কৰে তাক জ্ঞান লাভ কৰা, যাতে ভৱিষ্যতে সেই জ্ঞানেৰে নতুন

মেলেৰিয়া প্ৰতিষেধক বা ঔষধ উদ্ভাৱন কৰিব পাৰি। নতুন উদ্যম আৰু প্ৰতিশ্ৰুতিৰে মই গৱেষণা আৰম্ভ কৰিলোঁ। ঘৰখনৰ অভাৱবোৰো দূৰ কৰিব পাৰিছোঁ আৰু বিজ্ঞানৰ ৰহস্যময় পৃথিৱীখনত মোজ দিব লৈছোঁ। অধ্যয়নৰ অন্য এখন পৃথিৱীলৈ ক্ৰমশঃ অগ্ৰসৰ হৈছোঁ। ড° জাৰুৱী মই যোগ দিয়া বিভাগটোৰ প্ৰফেচৰ আছিল তেওঁ বৰ দয়ালু মানুহ আছিল। এওঁৰ বাবেই আমেৰিকালৈ যোৱাৰ সুযোগ লাভ কৰিলোঁ। এনেদৰেই মোৰ গুৱাহাটীত গৱেষণাৰ কাম চলি থাকিল। ঘৰৰ অৱস্থাও যথেষ্ট ভাল হ'ল। বন্ধকত থোৱা মাটিখিনি মুকলি হ'ল। দেউতাহঁতৰ হেৰুৱা বিশ্বাসখিনি ঘূৰি আহিল।

গুৱাহাটী এৰি আমেৰিকালৈ যাবলৈ ওলালোঁ। মাচাচুচেটচ বিশ্ববিদ্যালয় এমহাৰ্ষ্ট চহৰৰ প্ৰাণকেন্দ্ৰ। চমুকৈ ইউমাচ। ইয়াত মোৰ ডিপাৰ্টমেন্ট আছিল ডিপাৰ্টমেন্ট অব কেমিষ্ট্ৰি। অনেক পঢ়োৱা, পঢ়া আৰু গৱেষণা কৰা দৈনিক কাম। গৱেষণাৰ মূল কাম হ'ল প্ৰ'টিন অণু ইঞ্জিনীয়াৰ কৰি, খুব সূক্ষ্ম সূক্ষ্ম মেচ' প্ৰযুক্তিৰ যোগেদি এই অণুবোৰক কোষৰ ভিতৰলৈ প্ৰেৰণ কৰা।

আমেৰিকালৈ অহাৰ তেৰ বছৰ পিছত প্ৰথম ঘৰলৈ গ'লো। আমাৰ নতুন ঘৰখনো ল'লো। ঘৰৰ পৰা আহি পুনৰ লেবৰেটৰীত গৱেষণা কৰিবলৈ ধৰিলোঁ। উদ্ভাৱনৰ এই ৰোমাঞ্চকৰ পৃথিৱীখনত মচগুল হৈ থাকোঁতেই এদিন খবৰ পালোঁ যে দেউতাৰ হাত দুখন বৰকৈ কঁপিছে। বেমাৰটো দেউতাৰ পুৰণি। মই সৰুৰে পৰা দেখি অহা দেউতাৰ লগত এতিয়াৰ দেউতাৰ কোনো সাদৃশ্য নাই। মোৰ 'জিন এডিটিং'ৰ গৱেষণাৰ ভৰপাক সময়তে ঘৰলৈ যোৱাৰ সিদ্ধান্ত ল'লো। ডক্টৰক দেখুৱালো কিন্তু ভাল নহ'ল। দেউতাৰ অসুখৰ বিষয়ে মই জানিছিলো। তেওঁৰ আয়ুস আৰু কিমানদিন তাকো জানিছিলোঁ কিন্তু মই কওঁ কেনেকৈ। শোকে সুদা মাৰি ধৰিছিল। দেউতাই নানা সংঘাতৰ মাজেদি মোক দুহাতেৰে ওপৰলৈ তুলি ধৰিছিল, যাতে উৰিব পাৰো। মই উৰি গ'লো মোৰ উৰণ চাই চাই দেউতা আঁতৰি গ'ল আৰু এইমাত্ৰ সন্তানৰ উৰণ চাই গৌৰৱান্বিত মোৰা দেউতাজন এই পৃথিৱীৰ পৰা আঁতৰি গ'ল। ভিতৰখন যেন তেতিয়াই শূন্য হৈ পৰিল।

দুদিনৰ পিছতে ঘৰলৈ গ'লো। শ্ৰাদ্ধৰ দিনা মৰিশালিটো চাফা কৰিবলৈ গ'লোঁ। আবি-মাচ খোৱাৰ পাছত দেউতাৰ চৰণত চাকি প্ৰজ্বলাই সেৱা কৰিলো। হঠাৎ শোকে সুদা মাৰি ধৰিলে। দেউতাৰ মৃত্যুৰ পিছত মই প্ৰথম কান্দিছোঁ। মোৰ সপোন পূৰ কৰিবৰ বাবে দেউতাই


যিমান পাৰি আৰু-জ্ঞানৰ যোগান ধৰিছিল। কেতিয়াবা যদি শিক্ষা মাগিছে, কেতিয়াবা ধাৰলৈ। কত কৃচ্ছ্ৰসাধনা তথা দুৰ্যোগৰ সময়তো আপোন সেই আঁতজল সাৰি দিয়া নাছিল। বিশ্বৰ এখন আগশাৰীৰ বিশ্ববিদ্যালয়ত বিজ্ঞানৰ গৱেষণাৰ বাবে উপযুক্ত কৰি তোলাত তেওঁৰ ভূমিকা অপৰিসীম।

আপোন প্ৰত্যেকৰেই আছে। আপোন-অনাতনে আৰ্ত কৰা আমাৰ সমাজৰ কোটি কোটি মানৱৰ ক্ৰন্দন আপোনবোৰ যেন মোৰ কাণত আহি প্ৰতিধ্বনিত হৈলাহি। বুকুত যতনে পুহি ৰখা জীয়া আপোনবোৰৰ সবাকীয়ে সোক যেন বিচিয়াই কৈছিল- মোৰো এটা আপোন আছে।

উপন্যাসখনত থকা চৰিত্ৰকেইটা যিকোনো পাঠকৰ বাবেই আপোন যেন লাগিব। উপন্যাসখনৰ শেষৰফালে জোনাই গ'লে অনুভৱ কৰিব পাৰি কেনেকৈ প্ৰতিবন্ধকতাৰ মাজতো মানুহে আপোন সৃষ্টি কৰিব পাৰে। মানুহে আপোন দেখিব লাগে। উপন্যাসখনত দায়িত্ব, কৰ্তব্য আদি সুন্দৰকৈ প্ৰকাশ পাইছে। উপন্যাসখনৰ মাজেৰে মানুহৰ আবেগ অনুভূতিক এনেদৰে প্ৰকাশ কৰিছে যে, সেইবোৰে হৃদয়ত চুই যায়। ৰুবুল সাউতৰ জীৱন কাহিনীয়ে মানুহক আগবাঢ়ি যাবলৈ শিকাইছে। সংঘাতৰ মাজতো মানুহে সফল হ'ব পাৰে।

— ৰক্ষা বড়া
চতুৰ্থ ষাণ্মাসিক

# চলচ্চিত্র সমালোচনা



# টুৱেলভ ফেইল

চলচ্চিত্ৰ হৈছে সাহিত্য আৰু সংস্কৃতিৰ এক এৰাব নোৱাৰা অংগ। প্ৰত্যেক চলচ্চিত্ৰই সমাজ তথা সংস্কৃতিৰ বিভিন্ন দিশৰ লগতেই ব্যক্তিৰ চিন্তা-ধাৰাৰ ওপৰতো বিশেষভাৱে দিশ প্ৰতিফলন কৰে। চলচ্চিত্ৰ নিৰ্মাণৰ মূল ভেটি হৈছে সমাজ জীৱন আৰু সংস্কৃতিৰ নানা দিশ। চলচ্চিত্ৰৰ জৰিয়তে ব্যক্তি তথা সমাজৰ কোনো এক সময়ক জীৱন্ত ৰূপ দিয়া হয়।

ভাৰতীয় হিন্দী ভাষাত ৰচিত চলচ্চিত্ৰ সমূহৰ ভিতৰত অন্যতম এখন নাট্য চলচ্চিত্ৰ হৈছে অনুৰাগ পাঠকৰ দ্বাৰা ৰচিত টুৱেলভ ফেইল। এই চলচ্চিত্ৰখন মনোজ কুমাৰ শৰ্মাৰ বাস্তৱ জীৱনৰ ওপৰত অনুৰাগ পাঠকে ২০১৯ চনৰ উপন্যাসৰ আধাৰত নিৰ্মাণ কৰা হৈছে। চৰম দৰিদ্ৰতা আৰু সমস্যাৰ সন্মুখীন হৈ কেনেদৰে ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া হোৱা শৰ্মাৰ কাহিনীটোৰ বিষয়ে ছবিখনত সুন্দৰভাৱে চিত্ৰিত কৰা হৈছে। এই ছবিখনত থকা প্ৰত্যেকটো চৰিত্ৰই এটা নিৰ্দিষ্ট ভূমিকা পালন কৰিছে। যিকেইটাৰ অবিহনে হয়তো এই ছবিখনে চলচ্চিত্ৰ জগতত আটাইতকৈ বেছি বঁটা প্ৰাপ্ত ছবি হিচাপে প্ৰতিফলিত হ'ব নোৱাৰিলে হয়।

ডকাইত আক্ৰান্ত আৰু দৰিদ্ৰতাৰে ভৰি থকা ভাৰতৰ চম্বল নামৰ অঞ্চলত জন্ম গ্ৰহণ কৰা

মনোজ কুমাৰ শৰ্মা এজন কেৰাণীৰ পুত্ৰ আছিল। মনোজ কুমাৰ শৰ্মাই পঢ়া বিদ্যালয়সমূহত অধ্যয়ন কৰা সকলো ছাত্ৰ-ছাত্ৰী নকলৰ জোৰত পৰীক্ষাসমূহত উত্তীৰ্ণ হৈছিল। ঠিক তেনেদৰে দ্বাদশ শ্ৰেণীৰ পৰীক্ষা বাবে মনোজ আৰু তাৰ সহপাঠী সকলেও দ্বাদশ শ্ৰেণীৰ পৰীক্ষাৰ বাবে নকল প্ৰস্তুত কৰিছিল। কিন্তু নতুনকৈ সলনি হোৱা আৰক্ষী বিষয়া ডি এছ পি দুষ্যন্ত সিং বিদ্যালয়ত উপস্থিত হৈ নকল কৰা বন্ধ কৰি দিয়াৰ ফলত তাৰ লগতে বিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত অৱতীৰ্ণ হ'ব পৰে। এয়াই আছিল মনোজৰ উন্নতিৰ প্ৰথমটো মোৰ। দুষ্যন্ত সিং এ মনোজক ভালদৰে চিনি পোৱা নাছিল যদিও তাৰ সৰল মনটোক দুষ্যন্ত সিঙে চিনিব পাৰি তাক এটা উপদেশ দিলে যে তেওঁৰ দৰে আৰক্ষী বিষয়া হ'বলৈ হ'লে নকল কৰা বন্ধ কৰিব লাগিব। তেওঁৰ আদেশ অনুসৰিয়েই এবছৰৰ পিছত মনোজ দ্বাদশ শ্ৰেণীৰ পৰীক্ষাত নকল নকৰাকৈয়ে উত্তীৰ্ণ হৈছিল। তাৰ প্ৰথম মোৰটোৰ বাট দেখুৱাই দিয়া প্ৰথম ব্যক্তি জনেই হ'ল দুষ্যন্ত সিং। তাৰ পিছতেই সি ডি এছ পি বিষয়া হোৱা লক্ষ্যৰে বি.এ. পঢ়িবলৈ লয়।

গোৱালিয়ৰত পঢ়িবলৈ ওলোৱা সময়ত আইতাকে সঞ্চয় কৰা সকলোখিনি ধন তাক দিছিল যদিও বাছত গৈ থাকোঁতে সি বাটতেই ধনখিনি হেৰুৱাই পেলাইছিল। তাৰ পিছতেই সি গম পাইছিল যে চৰকাৰে এমপি পি এছ.চিৰ গ্ৰুপ ১ ৰ পৰীক্ষা তিনি বছৰৰ বাবে বন্ধ কৰাৰ সিদ্ধান্ত লৈ। তেতিয়াই তাৰ আৰক্ষী বিষয়া হোৱা সপোন ধ্বংস হৈ পৰিল। সি দেখা সপোনটো

চকুৰ আগত ধ্বংস হৈ পৰাত সি অজ্ঞান হৈ অনাই-বনাই ৰাস্তাত ঘূৰি ফুৰা দেখি ৰাস্তাৰ ৰেল ষ্টেচনৰ কাষতে থকা হোটেলৰ মালিকজনে তাক আহাৰলৈ বুলি কিবা এটা দিছিল। তাতে সি পি এছ চি পৰীক্ষাৰ বাবে পঢ়িবলৈ অহা প্ৰীতিম পাণ্ডেক লগ পায়। পাণ্ডেৰ দেউতাকে তাক জোৰ কৰি দিল্লীত ইউ পি এছ চি পৰীক্ষাৰ বাবে প্ৰস্তুতি চলাবলৈ কয়।

প্ৰীতমৰ পৰা সি ইউ.পি.এছ.চি বিষয়ে ভালদৰে জানি আই.পি.এছ. অফিচাৰ হ'বলৈ বুলি প্ৰীতমৰ সৈতে দিল্লীলৈ যায়। তাত মনোজে গৌৰী ভাইয়াক লগ পায়। যিয়ে মনোজক কাম আৰু পঢ়া-শুনাৰ যোগান ধৰে। প্ৰথমবাৰৰ প্ৰাৰম্ভিক পৰীক্ষাত যি ফেইল কৰে যদিও সি গৌৰীৰ সহায়ত পুনৰ আবিৰ্ভাৱ হয়। সি কোচিং চেণ্টাৰ সন্মুখত ভ্ৰমণ কৰি থাকোঁতে শ্ৰদ্ধা যোশীক লগ পায় আৰু তাই প্ৰেমত পৰে। তাইও মনোজক ইচপি এ চি পৰীক্ষাৰ বাবে বহুতো সহায় কৰিছিল। সি এইবাৰ মূল পৰীক্ষাত ব্যৰ্থ হৈ পৰে আৰু সি হতাশ হৈ ঘৰলৈ গৈ গম পায় যে তাৰ আইতাকৰ মৃত্যু হৈছে। সি পুনৰ পৰীক্ষাত উত্তীৰ্ণ হ'বলৈ বুলি সংকল্পবদ্ধ হৈ দিল্লীলৈ উভতি যায়। অৱশেষত সি মূল পৰীক্ষাত উত্তীৰ্ণ হয় আৰু আনহাতে শ্ৰদ্ধাইও ইউ বি পি এছ. চি পৰীক্ষা ক্লিয়াৰ কৰে। সাক্ষাৎকাৰৰ ৰাউণ্ডৰ সময়ত যি প্ৰতিটো প্ৰশ্নৰ উত্তৰ সততাৰে দিয়ে। দুমাহৰ পিছত মনোজে আই পি এছ বিষয়া হোৱাৰ বেংক যোগ্যতা অৰ্জন কৰি ফলাফল ঘোষণা কৰা হয়। এবছৰৰ পিছত আই পি এছ বিষয়া হোৱা মনোজে মন্দসৌৰ আৰক্ষী থানাত ডি.

এছ পি দুষ্যন্ত সিংক সাক্ষাৎ কৰি তাক উৎসাহিত কৰাৰ বাবে ধন্যবাদ জনায়। অৱশেষত মনোজে অদ্বাক বিয়া কৰায়।

২০২৩ চনৰ ২৭ অক্টোবৰ পৰিচয় ছবি গৃহত মুক্তি পোৱা টুৱেলভ্থ ফেইলে সমালোচক সকলৰ পৰা ভূয়সী প্ৰশংসা লাভ কৰে আৰু বাণিজ্যিকভাৱেও সফল হয়। ২০ কোটি বাজেটত নিৰ্মিত ছবিখন বিশ্বজুৰি ৬৬ কোটিতকৈ অধিক উপাৰ্জন কৰে।

- নীলাক্ষী বৰুৱা
দ্বিতীয় ষাণ্মাসিক

# প্রাসংগিক

# গদ্যশিল্প

# চৌষষ্ঠি কলাত্মক ভাওনা সংস্কৃতি

এই বিনন্দীয়া পৃথিৱীৰ দৃশ্যমান বা অদৃশ্য কোনো ভাৱাত্মক ৰূপ শিল্পীৰ অন্তৰ্নিহিত ভাৱ, অনুভূতি আৰু কল্পনাৰ যি সুন্দৰ, সুনিপুণ আৰু নান্দনিক ৰূপত আত্মপ্ৰকাশিত হোৱাকেই কলা বা শিল্প বোলে। কলা বিশ্বজনীন আৰু আৱেগপূৰ্ণ, কলাই ন সাজেৰে সকলোকে প্ৰজ্ঞাদীপ্ত কৰি তোলে। বিশ্ববিখ্যাত দাৰ্শনিক এলবাৰ্ট আইনষ্টাইন আৰু ৰবীন্দ্ৰনাথ ঠাকুৰে কলা সম্পৰ্কীয় ইংৰাজী ভাষাত সংজ্ঞা আগবঢ়াইছে — *Albert Einstein True art is characterized by an irresistible urge in the creative artist.*

*Rabindranath Tagore - What is Art? is the response of man's creatives soul to the call of the Real.*

প্ৰাচীন ভাৰতীয় সংস্কৃত সাহিত্যৰ ৬৪ বিধ কলাৰ বিষয়ে পোৱা যায়। সুকুমাৰ কলা হ'ল মানুহৰ মনৰ সৌন্দৰ্যবোধ আৰু আৱেগ প্ৰকাশ কৰা সৃষ্টিশীল কলা। যাৰ মূল উদ্দেশ্য আনন্দ প্ৰদান কৰা। সেয়েহে সুকুমাৰ কলাৰ প্ৰয়োজন হৈছে। কলাই মানুহৰ মনত এক বিশেষ আলোড়নৰ সৃষ্টি কৰে। এই কলাৰ জৰিয়তে চাক্ষুস

আৰু স্মৰণীয় দিশেৰে শিল্পীয়ে নিজ অনুভূতি নান্দনিকভাৱে উপস্থাপন কৰে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ সৰ্বজনমান্য কলাবিদ। তেওঁৰ একাধাৰে নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰক, সমাজ সংগঠক, গায়ক, নৰ্তক, অভিনেতা, কবি, চিত্ৰকৰ আছিল। শংকৰদেৱ অসমীয়া জাতি সাহিত্য সংস্কৃতি নিৰ্মাতা। নৱবৈষ্ণৱ আন্দোলনৰ দ্বাৰা প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে থান, নামঘৰ, সত্ৰানুষ্ঠান প্ৰভৃতি প্ৰতিষ্ঠা কৰিছিল। পৰৱৰ্তী কালত গুৰুজনাই গীত, বাদ্য, নৃত্য আৰু নাট্যৰ সৃষ্টি কৰি পাৰৰ যোজা লোকসকলক আকৰ্ষিত কৰি দৈনন্দিন সমাজৰ লগত মিল থকাকৈ নাট ৰচনা কৰে। সেইবাবে ১৯ বছৰ বয়সতেই ১৩৯০ শকত বৈকুণ্ঠৰ চিত্ৰপট অংকন কৰি বাকৰুদ্ধ "চিহ্নযাত্ৰা" ভাওনা পৰিবেশন কৰে। সাহিত্য, সংগীত, কলা, ভাস্কৰ্যৰ ৬৪ বিধ কলা ব্যৱহাৰ কৰি সৃষ্টি কৰিলে ব্ৰজাৱলী ভাষাৰ অংকীয়া নাট। গুৰুজনাৰ ৬খন অংকীয়া নাট, মাধৱদেৱৰ ৬খন অংকীয়া ঝুমুৰা আৰু পৰৱৰ্তী পৰ্যায়ত প্ৰধানকৈ অসমতে বৰ্তমানৰ আউনীআটি সত্ৰত ৰচিত হোৱা প্ৰকাশ মাতৃভাষা নাটক বৰ্তমানৰ মাতৃভাষা নাটসমূহত ৬৪ কলা সংযোজিত হৈছে।

অনাসৰী চহা গাৱলীয়া সমাজত গুৰুজনাই ভাওনা সংস্কৃতিৰ মাধ্যমেৰে ভক্তিৰসৰ সোঁত বোৱাইছিল। সেয়েহে ভাওনা সবাহ বুলি ক'লেই প্ৰতিজনৰ মন উৰৰ পৰা সূৰলৈ শিপাইছিল অপাৰ আনন্দৰ সমাজলৈ দি যোৱা এই যুগান্ত-সোঁত। গুৰুজনাই ৫০০ বছৰ যুৰি অম্লান ঐতিহ্য কাৰী অৱদান ৫০০ ৰূপত অসমীয়া সমাজ জীৱনত ৰূপে ঘাঁইতিযুগীয়া। গুৰুজনাৰ সংগীত, সাহিত্য, জেউতি চৰাই আছে।

নৃত্য, চিত্ৰৰ আৰু ভাস্কৰ্য এই পঞ্চকলা সাৰ্বজাৰ লক্ষ্যই আছিল ঈশ্বৰ প্ৰাপ্তি। ভাওনা অসমীয়া সংস্কৃতিৰ গৌৰৱময় স্বৰ্ণসৌৰ্ধ।

- ৰাণীপ্ৰিয়া বৰুৱা
দ্বিতীয় ষাণ্মাসিক

# কৌতুক


শিক্ষক : কোনে কব পাৰিবা কোৱাচোন, এনে এবিধ বস্তু আছে যাক কেৱল চাৰ পাৰি ধৰিব নোৱাৰি।

মৰ্ছু : চাৰ কবলৈ বেয়া লাগিছে।

শিক্ষক : বেয়া লাগিবলৈ কি আছে?

মৰ্ছু : চাৰ আপোনাৰ কাণমন।

# কার্টুন


হে প্ৰভু এই মানুহজনে কিমান যে মিছা কথা কৈব পাৰে কেৱল ভগৱানেহে জানে....
মই মুখ্যমন্ত্ৰী হৈ থকালৈকে অসমত কেতিয়াও মিঞাৰ শান্তি নাই

# নীলা খামৰ চিঠি

মৰমৰ ....

আশা কৰোঁ আপুনি ভালেই আছে । বহুত আগৰেই পৰা বৈ আছিলোঁ আপোনাক কিছুমান কথা কবলৈ । কিন্তু নোৱাৰিলোঁ । সেইবাবে আজি হাতত কলমটো তুলি লৈছোঁ আপোনাক কম বুলি ভবা সকলো কথা এখন উকা কাগজত লিখি আপোনাৰ হাতত যাচি দিম বুলি । বৰ আগ্ৰহ আৰু মৰমেৰে লিখিছোঁ যদি পাৰে তেন্তে অকণমান সময় উলিয়াই পঢ়িব বুলি আশা ৰাখিছোঁ । মুখেৰে ব্যক্ত কৰিব নোৱাৰা হৃদয়ৰ অনুভৱ কিছুমান এই চিঠিৰ জৰিয়তেই আপোনাৰ ওচৰত পঠাইছোঁ ।

আৰম্ভণি কেনেদৰে কৰিম একো ভাবিয়েই পোৱা নাই । সেইবাবে আপোনাক লগপোৱা প্ৰথম দিনটোৰ পৰাই লিখিছোঁ । আপোনাক লগ পোৱা আজি চাৰিটা বছৰেই হ'ল । কিন্তু আপোনাক মাত লগাবৰ বাবে এদিনো সাহসেই নহ'ল । প্ৰত্যেক দিনাই আপোনাক মাত লগাব গৈ আধা বাটৰ পৰা ঘূৰি আহোঁ । আপুনি মাত নিদিব বুলি । এনেকৈয়ে মাত দিম বুলি থাকোঁতে থাকোঁতে কালিলৈ আপোনাৰ যোৱাৰ সময়ে আহি পালে । মাত লগোৱা আশাটো আশা হৈয়ে থাকি গ'ল । আপোনাৰ মনত আছে নে নাই নাজানো কিন্তু মোৰ এতিয়াও মনত আছে, মোৰ কলেজৰ প্ৰথম

দিনটোতেই আপুনি আৰু আপোনাৰ লগৰ কেইজনে মোক আপোনালোকৰ ওচৰলৈ মাতি মোৰ পৰিচয়টো আতি-গুৰি মাৰি ক'ব দিছিল। সেইদিনা এনেদৰে হঠাৎ মোক প্ৰশ্ন কৰাৰ বাবে মই ভয়তে একো কবয়েই নোৱাৰিলোঁ। তথাপিও আপুনি এটা হাঁহি মাৰি ভয় নকৰিবা আমি তোমাক কেৱল তোমাৰ পৰিচয় হে সুধিছোঁ বুলি কোৱাত মোৰ বৰ লাজ লাগিল আৰু মই আপোনালোকৰ আগত এটা হাঁহি মাৰি লৰালৰিকৈ গুচি আহিলোঁ যদিও আপোনাৰ বেৰিয়া থকা দাঁতৰ হাঁহিটো বাৰে বাৰে মোৰ মনলৈ আহি আছিল। কিবা আপোনাৰ প্ৰতি মোৰ বেলেগ অনুভৱ এটা জাগি উঠিছিল।

সেই প্ৰথম দিনৰ অনুভৱটোৰ বাবে লাহে লাহে আপোনাৰ এটা হাঁহি চাবৰ বাবেই কোনো দিনাই ক্লাছ বন্ধ নকৰা ছোৱালীজনীয়ে আপোনাৰ হাঁহিটো চোৱাৰ আশাৰেই ক্লাছসমূহ এটা দুটাকৈ বন্ধ কৰি দিওঁ। এনেদৰে চাওঁতে চাওঁতে লাহে লাহে প্ৰথম দিনাৰ অনুভৱটো ভালপোৱালৈ পৰিণত হ'বলৈ আৰম্ভ কৰিলে। আপুনি এইবোৰ কথাৰ একো উমান নোপোৱাকৈয়ে আপোনাক একো কথা নজনাকৈয়ে আপোনাক গভীৰভাৱে ভাল পাবলৈ ধৰিলোঁ। প্ৰতিটো দিন আপোনাক এবাৰ দেখাটোৱে মোৰ বাবে এটা আশা হৈ থাকে। এনেতে আপোনাক মনৰ কথা প্ৰকাশ কৰিব যাওঁতে হঠাৎ আপোনাক এজনী ছোৱালীৰ হাতত ধৰি হাঁহি হাঁহি ক্লাছলৈ যোৱা দেখিলোঁ তাৰ পিছত লগৰ এজনীক আপোনাৰ কথা সুধাত গম পালোঁ যে, সেইগৰাকী আপোনাৰ প্ৰেয়সী। আপুনি আৰু সেই ছোৱালীজনী বহুত আগৰেই পৰা এটা সম্পৰ্কত আছে। সেইদিনা

মোৰ এনেকুৱা অনুভৱ হৈছিল যে চকুৰ সন্মুখত মই ৰচা সকলো সপোন চুৰ-মাৰ হৈ পৰিল। কলেজত নিজকে বহুত ধৈৰ্য্যৰে ৰাখি হোষ্টেলৰ কোঠাত নিজকে বন্ধ কৰি কেৱল উচুপিবলৈ ধৰিলোঁ। নিজক কেনেদৰে বুজাও একো ভাবিয়েই পোৱা নাছিলোঁ। কেনেকৈ কি হৈ পৰিল মই একো উমানেই নাপালোঁ। কাকো কথও পৰা নাছিলো। কেনেকৈ কওঁ মনৰ কথাবোৰ। অকল এটাই অনুভৱ আছি এখন ভঙা দাপোনৰ দৰে মোক সকলো অনুভৱ ভাঙি পৰিল। কেইবাদিনো এনেকৈয়ে হোষ্টেলৰ কোঠাতেই পাৰ কৰিলোঁ। তাৰ পিছত নিজকেই আইনাৰ আগত ৰাখি বুজাবলৈ ধৰিলোঁ যে, এইটো ভালপোৱা নহয় এইটো মাথো তেওঁৰ প্ৰতি থকা আকৰ্ষণহে। ভালপোৱা জানো ইমান সহজে হ'ব পাৰে? নাই কেতিয়াও নোৱাৰে। তেওঁৰ প্ৰতি যি আছিল সেইয়া মোৰ ভাল লগাহে যি ভাল পোৱাতকৈ বহুতেই পৃথক। এনেদৰে প্ৰায় প্ৰতিটো দিনেই নিজকে বুজাই শেষত বুজিব পাৰিলোঁ যে, ভালপোৱাত প্ৰাপ্তি থাকে যিটো ভাল লগাত নাথাকে। ভাল লগা সকলোবোৰ সদায় আঁতৰৰ পৰাহেই চাব লাগে সেইবোৰক যদি জোৰ কৰি নিজৰ কৰিলে হয়তো সেই ভাল লগা বস্তুখিনিয়েই শেষত এপাত ডাঙৰ অস্ত্ৰ হৈ আঘাত কৰিব। উদাহৰণস্বৰূপে, যিদৰে গোলাপ ফুল এপাহ দেখিবলৈ বহুত ধুনীয়া যাক ফুলৰ ৰাণী বুলি কোৱা হয়। কিন্তু এই ফুলৰ ৰাণী জনীক ছিঙিব যাওঁতে বহুত কাঁইটৰ খোঁচ খাবলগীয়া হয়। তাতকৈ এই ৰাণী জনীক যেনেদৰে আছে তেনেদৰে আঁতৰৰ পৰা চালে হয়তো সেই কাঁইটৰ বাৰে আঘাত নাপায়। ঠিক সেইদৰে আপোনাক জোৰ কৰি নিজৰ কৰা চেষ্টা কৰাতকৈ আপোনাৰ প্ৰতি থকা সকলোবোৰ

অনুভৱ এক পক্ষ কৰি আপোনাৰ সেই ধুনীয়া হাঁহিটোৰ বাবে হৃদয়ৰ এটা কোণত সদায়েই আপোনাৰ বাবে খালী কৰি ৰাখিম । যাৰ উমান কেতিয়াও কোনেও নোপোৱাকৈ চিৰদিনৰ বাবে । এনেকৈয়ে আপোনাৰ প্ৰতি থকা মোৰ অনুভৱখিনি সযতনে ৰাখি আপোনাৰ স্মৃতিবোৰ এই চিঠিখনতেই সামৰি নতুনকৈ জীৱনৰ পাতনি মেলিবলৈ চেষ্টা কৰিম । এনেদৰে আপোনাৰ আৰু মোৰ এই যাত্ৰা ইমানতেই সামৰণি মাৰিছোঁ ।

আপোনাক চাগে এইখিনি কথা কোনো দিনেই কোৱা নহ'বয়েই । এনেকুৱা লাগিছে যেন হয়টো কেতিয়াও এইখন চিঠি আপোনাৰ হাতত দিবয়ে নোৱাৰিম । যদি আপোনাৰ হাতত দিব পাৰোঁ তেন্তে বৰ আশাৰে বৈ থাকিম আপোনাৰ প্ৰত্যুত্তৰৰ বাবে আৰু এইটো যদি সম্ভৱ নহয় তেন্তে এখন নাওঁ আকাৰত উটুৱাই দিম নদীৰ কোৱাল সোঁতত ।

ইতি
আপোনাৰ ....

- নীলাক্ষী বৰুৱা
দ্বিতীয় ষাণ্মাসিক



# অনুভৱৰ একলম

# অনুভৱৰ এক পৃষ্ঠা

প্ৰতিজন শিক্ষাৰ্থীৰ জীৱনত তেওঁৰ মহাবিদ্যালয়খন কেৱল এটা শিক্ষানুষ্ঠান হৈ নাথাকে, ই হৈ পৰে আৱেগ আৰু সপোনৰ এক সুকীয়া পৃথিৱী। মোৰ বাবেও দুলীয়াজান মহাবিদ্যালয় তেনেকুৱাই এক অনুষ্ঠান। যিদিনা মই প্ৰথমবাৰৰ বাবে এই মহাবিদ্যালয়ত প্ৰৱেশদ্বাৰেৰে সোমাইছিলোঁ, সেইদিনা মোৰ মনত যিমান শংকা আছিল, তাতকৈ বেছি আছিল এক নতুন জগতক জনাৰ কৌতুহল। আমাৰ মহাবিদ্যালয়ৰ প্ৰতিগৰাকী অধ্যাপক - অধ্যাপিকাৰ ছাত্ৰ - ছাত্ৰীৰ প্ৰতি থকা মৰমে মোক সদায় মুগ্ধ কৰে। যিকোনো কঠিন বিষয় সহজকৈ বুজাই দিয়াৰ লগতে জীৱনৰ সংগ্ৰামৰ বাবেও তেওঁলোকে আমাক অনুপ্ৰাণিত কৰে। শান্ত পৰিৱেশটোৱে যেন আমাক সদায় কয় —"ইয়াত কেৱল পঢ়া-শুনাই নহয়, এগৰাকী প্ৰকৃত মানুহ হোৱাৰ শিক্ষা লʼবলৈ আহিছা।" আমাৰ মহাবিদ্যালয়খন ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত কলা, বিজ্ঞান আৰু বাণিজ্য — এই তিনিওটা শাখাৰে পূৰ্ণাংগ অনুষ্ঠান। ডিব্ৰুগড় জিলাৰ এই তৈল নগৰীৰ ব্যস্ততাৰ মাজত শান্তিৰ এক মৰুদ্যানসদৃশ আমাৰ এই মহাবিদ্যালয়খনে ১৯৬২ চনৰ পৰাই জ্ঞানৰ পোহৰ বিলাই আহিছে।

শ্ৰেণীকোঠাৰ চাৰিবেৰৰ মাজতে কেৱল নহয়। দুলীয়াজান মহাবিদ্যালয়ৰ আমাৰ শিক্ষা আবদ্ধ

বিশাল গ্ৰন্থাগাৰৰ সেই কিতাপৰ সুবাস, এন.চি.চি.ৰ সেই অনুশাসন আৰু ক্ৰীড়া-সাংস্কৃতিক সপ্তাহৰ সেই উৎসৱ-মুখৰ পৰিৱেশ লগতে এই মহাবিদ্যা-লয়ত ২০২৬ বৰ্ষৰ জানুৱাৰী মাহৰ ২৮ তাৰিখৰ পৰা ৩১ তাৰিখলৈ চাৰিদিনীয়া কাৰ্যসূচীৰে যুৱ মহোৎসৱ পালন কৰা হয়। এই যুৱ মহোৎসৱত ৭৫ খন মহাবিদ্যালয়ে অংশগ্ৰহণ কৰিছিল। এই সকলোবোৰ মিলি হৈ আমাৰ দুলীয়াজান মহাবিদ্যালয়। আমাৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ মৰম আৰু সঠিক দিশ-নিৰ্দেশনাই আমাক প্ৰতিটো খোজতে সাহস দিয়ে।

অইল ইণ্ডিয়া লিমিটেডৰ দৰে দেশৰ এক অগ্ৰণী উদ্যোগৰ সান্নিধ্যত থকাৰ বাবে আমাৰ কলেজে এক সুকীয়া মৰ্যদা লাভ কৰিছে। আমাৰ আগৰ বহুতো ককাইদেউ-বাইদেউ আজি দেশ-বিদেশত, চহৰ-নগৰত প্ৰতিষ্ঠিত হৈ কলেজৰ নাম উজ্জ্বলাই তুলিছে। সেইসকলক আদৰ্শ হিচাপে লৈয়েই আমি আগুৱাই যাব বিচাৰোঁ। দুলীয়াজান মহাবিদ্যালয়লৈ অহাৰ পিছত মোৰ আত্মবিশ্বাস বহুত বাঢ়িছে।

আজি মই এই মহাবিদ্যালয়ৰ এজনী ছাত্ৰী হিচাপে গৌৰৱ অনুভৱ কৰোঁ। দুলীয়াজান মহাবিদ্যালয় কেৱল শিক্ষা গ্ৰহণৰ স্থান নহয়, ই আমাৰ ব্যক্তিত্ব গঢ়াৰ এক কৰ্মশালা। মই আশা কৰোঁ, আমাৰ এই প্ৰিয় মহাবিদ্যালয়খনে ভৱিষ্যতেও এনেদৰেই জ্ঞানৰ পোহৰ বিলাই আমাৰ অঞ্চলটোক গৌৰৱান্বিত কৰি থাকিব।

— নৱনীতা গগৈ
দ্বিতীয় ষাণ্মাসিক

# ধন্যবাদ

